# অসম সত্ৰ মহাসভা

স্থাপিত ঃ ১৯১৫ খৃষ্টাব্দ ৪৬৬ শঙ্কৰাব্দ ব'হাগ

(সমিতি পঞ্জীয়ন আইন ২১/১৮৫০ অনুসৰি পঞ্জীয়নভুক্ত)

পঞ্জীয়ন নং - ৪৮৭/১৯৭৫-৭৬

# নিয়মাৱলী


কেন্দ্ৰীয় কাৰ্যালয়

**অসম সত্ৰ মহাসভা**

ৰজাবাৰী, যোৰহাট - ৭৮৫০১৪ অসম

# অসম সত্ৰ মহাসভা

স্থাপিত ঃ ১৯১৫ খৃষ্টাব্দ ৪৬৬ শঙ্কৰাব্দ ব'হাগ

(সমিতি পঞ্জীয়ন আইন ২১/১৮৫০ অনুসৰি পঞ্জীয়নভুক্ত)

পঞ্জীয়ন নং - ৪৮৭/১৯৭৫-৭৬

সত্যং পৰম ধীমহি

# নিয়মাৱলী

কেন্দ্ৰীয় কাৰ্যালয়

**অসম সত্ৰ মহাসভা**

ৰজাবাৰী, যোৰহাট - ৭৮৫০১৪ অসম

# বিষয় সূচী

প্ৰস্তাৱনা

প্ৰথম ছেদ ঃ নাম

দ্বিতীয় ছেদ ঃ উদ্দেশ্য

তৃতীয় ছেদ ঃ কাৰ্যক্ষেত্ৰ

চতুৰ্থ ছেদ ঃ সংগঠন

পঞ্চম ছেদ ঃ মহাসভাৰ বিষয়বৰীয়াসকল

ষষ্ঠ ছেদ ঃ মহাসভাৰ সত্ৰীয়া সংস্কৃতি চৰ্চাকেন্দ্ৰ

সপ্তম ছেদ ঃ মহাসভাৰ পুঁজি

অষ্টম ছেদ ঃ বিশেষ সদস্য

নৱম ছেদ ঃ বিশেষ সমিতি

দশম ছেদ ঃ ভ্ৰমণ বানচ

একাদশ ছেদ ঃ বিবিধ

ওপৰঞ্চি ঃ ক, খ, গ, ঘ, ঙ

উপবিধি ঃ ১, ২

# ॥ প্ৰস্তাৱনা ॥

সমগ্ৰ অসমবাসীৰ বিশেষকৈ সত্ৰসমূহৰ আৰু সেইসমূহৰ শিষ্য-প্ৰশিষ্য, সত্ৰানুৰাগী আৰু সত্ৰানুৰৰ্তীসকলৰ সৰ্বাঙ্গীন যথা সামাজিক, নৈতিক, সাংস্কৃতিক তথা আধ্যাত্মিক উন্নতি সাধনৰ অৰ্থে সকলো ৰাজনৈতিক আৰু সাম্প্ৰদায়িক চিন্তা তথা স্বাৰ্থ পৰিহাৰ কৰি আৰু সাৰ্বজনীন শান্তি-সম্প্ৰীতি ৰক্ষাৰ উদ্দেশ্য আগত ৰাখি অসমত এটি সত্ৰকেন্দ্ৰিক অনুষ্ঠান গঠন কৰা হ'ল।

## প্ৰথম ছেদ ঃ নাম ।। ১।।

উল্লেখিত অনুষ্ঠানটিৰ নাম 'অসম সত্ৰ মহাসভা' ৰখা হ'ল। পৰৱৰ্ত্তী ছেদ অনুচ্ছেদ আদিত কেৱল 'মহাসভা' নামেৰেহে চিহ্নিত কৰা হ'ব।

## দ্বিতীয় ছেদ ঃ উদ্দেশ্য ।। ২।।

**মহাসভাৰ উদ্দেশ্যসমূহ ঃ**

২। (ক) সত্ৰানুষ্ঠানসমূহৰ ৰক্ষণা-বেক্ষণ আৰু সেইসমূহৰ উদ্দেশ্যৰ উৎকৰ্ষ সাধনত সকলো প্ৰকাৰৰ সহায়-সহযোগ আগবঢ়োৱা।

(খ) সত্ৰসমূহক সত্ৰানুৰৰ্তী আৰু সত্ৰানুৰাগীসকলৰ বাবে হিতকৰ আৰু কালোপযোগী অনুষ্ঠান হিচাপে গঢ়াত সহায় কৰা।

(গ) সমাজৰ পৰমাৰ্থিক, আধ্যাত্মিক আৰু নৈতিক উন্নয়ন আৰু সত্ৰীয়া সংস্কৃতিৰ সংৰক্ষণ, অনুশীলন আৰু সংবৰ্দ্ধনত সহায়-সহযোগ আগবঢ়োৱা।

(ঘ) নতুন প্ৰজন্মৰ সত্ৰীয়া শিশু, যুৱক-যুৱতী, মহিলা আদি শিষ্য-প্ৰশিষ্যসকলৰ আধ্যাত্মিক, নৈতিক, মানসিক আদি সকলো দিশতে বিকাশ সাধন কৰা।

(ঙ) সত্ৰানুৰতী আৰু সত্ৰানুৰাগীসকলৰ ঐক্য তথা উত্তৰোত্তৰ উন্নতিৰ অৰ্থে কাৰ্যক্ৰম ৰূপায়িত কৰা।

(চ) প্ৰয়োজনবোধে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ব্যৱস্থা কৰা।

(ছ) সত্ৰীয়া সমাজৰ সৰুসুৰা বাদ-বিবাদ থাকিলে সেইসমূহৰ মীমাংসাত যথাসাধ্যে সহায় কৰা।

(জ) প্ৰাচীন আপুৰগীয়া সত্ৰীয়া সম্পদ আৰু ধৰ্মগ্ৰন্থসমূহৰ সংৰক্ষণ আৰু প্ৰয়োজন সাপেক্ষে সম্পাদন কৰা।

(ঝ) পুৰণি অসমীয়া ধৰ্মগ্ৰন্থ বিশেষ অন্য ভাষালৈ তৰ্জমা কৰি প্ৰকাশ কৰা আৰু আপুৰুগীয়া সত্ৰীয়া সম্পদৰ সংগ্ৰাহলয় আৰু ধৰ্মগ্ৰন্থসমূহৰ বাবে বৈজ্ঞানিক পদ্ধতিৰ আৰ্কাইভ প্ৰতিষ্ঠা কৰা।

(ঞ) সত্ৰীয়া সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে মুখপত্ৰ, পত্ৰিকা আৰু অন্যান্য পুস্তিকা আদি প্ৰকাশ কৰা।

(ট) অসমৰ মহাপুৰুষসকলৰ দ্বাৰা প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ বা সমগ্ৰ সত্ৰীয়া সমাজৰ অহিতকৰ বুলি বিবেচিত নহ'লে কোনো সত্ৰৰ আভ্যন্তৰীণ স্বতন্ত্ৰতাত কদাপিও হস্তক্ষেপ নকৰা।

(ঠ) ৰাজনীতি আৰু ক্ষুদ্ৰ সাম্প্ৰদায়িকতাৰ উৰ্দ্ধত অৱস্থান কৰা। কিন্তু ৰাষ্ট্ৰনীতিয়ে ধৰ্ম আৰু সত্ৰীয়া স্বাৰ্থত আঘাট হানিলে সামূহিকতাৰে তাৰ জোৰদাৰ প্ৰতিবাদ সাব্যস্ত কৰা।

## তৃতীয় ছেদ ঃ কাৰ্যক্ষেত্ৰ ।।৩।।

৩। (ক) মহাসভাৰ কৰ্মক্ষেত্ৰ পুৰণি বৰ অসমৰ ভৌগলিক চাৰিসীমা। কিন্তু প্ৰয়োজন সাপেক্ষে ইয়াৰ কাৰ্যক্ষেত্ৰ ৰাজ্যৰ পৰিসীমাৰ বাহিৰলৈকো সম্প্ৰসাৰণ কৰিব পাৰিব।

(খ) মহাসভাৰ প্ৰতি বিশ্বাস, সত্ৰৰ প্ৰতি শ্ৰদ্ধা, ভক্তি আৰু আনুগত্য থকা প্ৰতিজন লোকৰ বাবেই এই অনুষ্ঠানৰ দুৱাৰ মুকলি থাকিব; তেনে যিকোনো লোকেই সদস্যভূক্তিৰ নীতি অনুযায়ী মহাসভাৰ সভ্য পদ ল'ব পাৰিব।

## চতুৰ্থ ছেদ ঃ সংগঠন ।। ৪।।

৪। মহাসভাৰ গঠন প্ৰণালী পাঁচ খলপীয়া হ'ব।

(৪ঃ১) সত্ৰসভা।

(৪ঃ২) আঞ্চলিক সত্ৰসভা।

(৪ঃ৩) জিলা সত্ৰসভা।

(৪ঃ৪) বহিঃ ৰাজ্যিক শাখা সত্ৰ সভা

(৪ঃ৫) অসম সত্ৰ মহাসভা।

৪ঃ৫ (ক) উপচ্ছেদ ঃ মহাসভাৰ 'সমন্বিত যুৱ-তীৰ্থ'।

৪ঃ৫ (খ) মহাসভাৰ প্ৰতিটো সংগঠনৰ পৰিচালনাৰ বাবে গঠিত কাৰ্যকৰী সভাৰ কাৰ্যকাল দুবছৰীয়া হ'ব। কাৰ্যকৰী সভাৰ বিষয়ববীয়া আৰু সদস্যসকলে একেলেথাৰীয়ে দুটা কাৰ্যকালৰ বেছি একে পদত কাৰ্যনিৰ্বাহ কৰিব নোৱাৰিব।

**(৪ঃ১) সত্ৰসভা ঃ**

ক) বৈষ্ণৱ ধৰ্ম প্ৰচাৰকসকলৰ দ্বাৰা প্ৰতিষ্ঠিত একোজন সত্ৰাধিকাৰ অথবা সত্ৰাধিকাৰৰ অবৰ্ত্তমানত পৰিচালনা সমিতি একোখনৰ দ্বাৰা পৰিচালিত এক বুজনসংখ্যক শিষ্যসম্পন্ন যথানামে পৰিচিত, য'ত নৱ-বৈষ্ণৱ ধৰ্মৰ শিক্ষা-দিক্ষা, চিন্তা-চৰ্চা কৰাৰ উপৰিও নিত্য নৈমিত্তিকভাৱে আৰু পৰম্পৰাগত পদ্ধতিৰে সত্ৰীয়া কৃষ্টি-সংস্কৃতি সাধনা তথা প্ৰচাৰ প্ৰসাৰৰ নিৰবিচ্ছিন্ন ব্যৱস্থা হয়, তেনে অনুষ্ঠানক কিম্বা তেনে অনুষ্ঠানৰ আজ্ঞাপৰ অনুষ্ঠানকো সত্ৰ বুলি গণ্য কৰা হ'ব। অসমৰ এনে সত্ৰসমূহ মহাসভাৰ একোটি গোট হ'ব।

খ) ভাৰতীয় আইনমতে প্ৰাপ্তবয়স্ক অথবা তদুৰ্দ্ধ বয়সৰ পুৰষ-মহিলা এই সত্ৰ সভাৰ সদস্য হ'ব পাৰিব।

গ) সত্ৰ সভাৰ কাৰ্যকৰী সমিতি তলত দিয়া ধৰণে ১১জন সদস্যৰে গঠিত হ'ব ঃ

১) সভাপতি এজন; ২) উপ-সভাপতি এজন
৩) সম্পাদক এজন; ৪) কোষাধ্যক্ষ এজন
৫) সাংস্কৃতিক সম্পাদক এজন ৬) সাধাৰণ সদস্য ৬জন।

ঘ) পৰাপক্ষত সভাপতি গৰাকী সত্ৰৰ সত্ৰাধিকাৰ আৰু উপ-সভাপতি গৰাকী এখন সত্ৰৰ ডেকা সত্ৰাধিকাৰ হ'ব। এইসকলৰ অবৰ্ত্তমানত অনুবৰ্ত্তী ভক্তসকলে নিজৰ মাজৰপৰা উপযুক্ত ব্যক্তিক এই সমস্ত পদৰ বাবে নিৰ্বাচন কৰি ল'ব পাৰিব।

ঙ) কাৰ্যকৰী সমিতিয়ে নিজাববীয়াকৈ সদস্যসকলৰপৰা দান-বৰঙণি তোলাৰ ব্যৱস্থা ৰাখিব আৰু জমা-খৰছৰ সমস্ত হিচাব কোষাধ্যক্ষজনে সংৰক্ষণ কৰিব।

চ) সত্ৰ সভাই মহাসভাৰ নিয়মাৱলীৰ আধাৰত অথবা সেই নিয়মাৱলীৰ বিৰোধ নোহোৱাকৈ উপবিধি তৈয়াৰ কৰিলে মহাসভাৰ অনুমোদন সাপেক্ষে তাক প্ৰবৰ্ত্তন কৰিব পাৰিব।

ছ) প্ৰতি সত্ৰ সভাই মহাসভাৰ অন্তৰ্ভূক্তিৰ বাবদ ৫০ (পঞ্চাশ) টকা আদায় দিব লাগিব।

জ) সদস্যসকলৰপৰা সত্ৰ সভাই বছৰি নুন্যতম্ ১০ (দহ) টকা বৰঙণি ল'ব পাৰিব।

ঝ) সত্ৰ সভাই প্ৰতি দুই বা তিনিমাহৰ অন্তৰে অন্তৰে সত্ৰত ধৰ্মালোচনী সভা আদি পাতিব। ভাওনা, নাম-কীৰ্ত্তন আদিৰ বিষয়ত সভাই নিজাকৈ সিদ্ধান্ত ল'ব।

ঞ) প্ৰতি সত্ৰ সভাই নিজ নিজ বাৰ্ষিক প্ৰতিবেদন আঞ্চলিক সভাৰ জৰিয়তে আৰু য'ত আঞ্চলিক সভা নেথাকে তাত পোনপতীয়াকৈ জিলা সত্ৰ সভালৈ পঠাব লাগিব।

**(৪ঃ২) আঞ্চলিক সত্ৰ সভা ঃ**

ক) একে অঞ্চলৰ ওচৰা-ওচৰিকৈ অৱস্থান কৰা নুন্যতম চাৰিখন সত্ৰ সভাৰ, অথবা সত্ৰৰ প্ৰতিনিধি আৰু য'ত আনুষ্ঠানিক সত্ৰ নাথাকে তাত ৪ঃ১ 'ক' ত উল্লেখ কৰা সত্ৰৰ আৰ্হিৰ সত্ৰপ্ৰেমী সমাজৰ প্ৰতিনিধি সন্মিলিত হৈ একোখন আঞ্চলিক সত্ৰ সভা গঠন কৰিব পাৰিব। এই প্ৰতিনিধি সভাকে আঞ্চলিক সভাৰ সাধাৰণ পৰিষদ বুলি গণ্য কৰা হ'ব।

খ) আঞ্চলিক সত্ৰ সভাৰ কাৰ্যকৰীসমিতি তলত দিয়া ধৰণে ১৯ জন সদস্যৰে গঠিত হ'ব ঃ

১) সভাপতি এজন; ২) উপ-সভাপতি দুজন
৩) সম্পাদক এজন; ৪) সহকাৰী সম্পাদক এজন
৫) সাংগঠনিক সম্পাদক এজন ৬) প্ৰচাৰ সম্পাদক এজন
৭) সাংস্কৃতিক সম্পাদক এজন ৮) কোষাধ্যক্ষ এজন

৯) সাধাৰণ সদস্য ১০ জন। উক্ত দহজন সদস্যৰ সাতজন সেইদিনাৰ সাধৰণ সভাতে নিৰ্বাচিত আৰু ২জন কাৰ্যকৰী সমিতিৰ প্ৰথমখন বৈঠকত মনোনীত হ'ব।

১০) সদ্য প্ৰাক্তন সভাপতি আৰু সম্পাদক পুনৰ্নিৰ্বাচিত নহ'লে নৱনিৰ্বাচিত কাৰ্যনিৰ্ব্বাহকৰ ক্ৰমে উপদেষ্টা আৰু পদেন সদস্য হ'ব। তাৰ ব্যতিৰেকে সাধৰণ সভাৰ পৰাই অন্য দুজনক সেই সেই সেই পদলৈ নিৰ্বাচিত কৰিব।

১১) প্ৰয়োজনবোধে তিনিজন লোকক উপদেষ্টা নিয়োগ কৰিব। অৱশ্যে উপদেষ্টাৰ কাৰ্যকৰী সমিতিৰ সভাত ভোটাধিকাৰ নেথাকিব।

১২) আঞ্চলিক সভাত নুন্যতম তিনিগৰাকী মহিলা সদস্য থকাটো বাঞ্ছনীয়।

গ) আঞ্চলিক সত্ৰ সভাৰ বছেৰেকীয়া অথবা দ্বিবাৰ্ষিক অধিবেশনত প্ৰতি সত্ৰ সভাৰপৰা পাঁচজনকৈ প্ৰতিনিধিয়ে যোগদান কৰিব। অৱশ্যে দৰ্শক প্ৰতিনিধিৰ বাবে কোনো নিৰ্দ্ধাৰিত সীমা নেথাকিব। সাধাৰণ সভাত দৰ্শক প্ৰতিনিধিৰ ভোটাধিকাৰ নেথাকিব আৰু তেওঁলোকৰ বাবে সাধাৰণ সভাত সুকীয়া আসনৰ ব্যৱস্থা থাকিব।

ঘ) জিলা সত্ৰ সভাৰ দ্বি-বাৰ্ষিক আধিবেশনৰ আগে আগে অনুষ্ঠিত হোৱা আঞ্চলিক সত্ৰ সভাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাত জিলা সত্ৰ সভাৰ পৰ্যবেক্ষকৰ উপস্থিতিতহে আঞ্চলিক সত্ৰ সভাৰ কাৰ্যকৰী সভা গঠন হ'ব।

ঙ ) আঞ্চলিক সভাৰ কাৰ্যকৰী সমিতি গঠন হোৱাৰ পিছত জিলা সত্ৰ সভাৰ অনুমোদন ল'ব লাগিব।

চ) সমগ্ৰ বছৰটোৰ ভিতৰত আঞ্চলিক সত্ৰ সভাৰ কাৰ্যকৰী সমিতিৰ কমেও

চাৰিখন বৈঠক অনুষ্ঠিত হ'ব লাগিব।

ছ) অন্ততঃ ৭ (সাত) জন সদস্যৰ উপস্থিতিত কাৰ্যনিৰ্বাহক বৈঠকৰ থুল হ'ব।

জ) আঞ্চলিক সত্ৰ সভাই নিজাববীয়াকৈ জিলা সত্ৰ সভাৰ অনুমোদন ক্ৰমে দান বৰঙণি আদি সংগ্ৰহ কৰিব পাৰিব।

ঝ) প্ৰতি আঞ্চলিক সত্ৰ সভাই মহাসভাৰ অন্তৰ্ভুক্তিৰ বাবদ জিলা সত্ৰ সভাৰ যোগেদি এশ টকাৰ বৰঙণি দিব লাগিব।

**(৪ঃ৩) জিলা সত্ৰ সভা ঃ**

ক) একোখন জিলাৰ অন্তৰ্গত মহাসভাৰ হিতৈষী সদস্য, আজীৱন সদস্য, সাধাৰণ সদস্য আৰু সেই জিলাৰ অন্তৰ্গত আঞ্চলিক সত্ৰ সভাৰ সদস্য সকলেৰে জিলা সত্ৰ সভাৰ সাধাৰণ পৰিষদ গঠিত হ'ব।

খ) প্ৰতিখন আঞ্চলিক সত্ৰ সভাৰ সাধাৰণ পৰিষদে জিলা সত্ৰ সভাৰ সাধাৰণ পৰিষদলৈ দহ গৰাকীকৈ প্ৰতিনিধি নিৰ্বাচন কৰি পঠাব। অৱশ্যে দৰ্শক প্ৰতিনিধিৰ নিৰ্দিষ্ট সীমা নেথাকিব আৰু তেওঁলোকৰ সাধাৰণ পৰিষদত ভোটাধিকাৰ তথা বক্তব্য নাথাকিব।

গ) মহাসভাই প্ৰয়োজন অনুভৱ কৰিলে একোটা বৃহৎ অঞ্চলৰ সত্ৰসমূহকলৈ সংশ্লিষ্ট জিলা সত্ৰসভাৰ সন্মতি সাপেক্ষে আঞ্চলিক ভিত্তিটো একোখন জিলা সত্ৰ সভা গঠন কৰিব পাৰিব। তেনে স্বীকৃতিৰ বাবে সেই অঞ্চলটিত অন্ততঃ ২৫ খন সত্ৰ বা তিনিখন আঞ্চলিক সত্ৰ সভা থাকিব লাগিব।

ঘ) মহাসভাৰ দ্বি-বাৰ্ষিক অধিবেশনৰ আগে আগে জিলা সত্ৰ সভাৰ অধিবেশন অনুষ্ঠিত কৰি মহাসভাৰ পৰ্যবেক্ষকৰ উপস্থিতিত জিলা সত্ৰ সভাৰ কাৰ্যকৰী সভা গঠন কৰিব।

ঙ) নিম্নোক্ত ২৫জন সদস্যৰে জিলা সত্ৰ সভাৰ কাৰ্যকৰী সমিতি গঠিত হ'ব।

১) সভাপতি এজন; ২) কাৰ্যকৰী সভাপতি এজন
৩) উপ-সভাপতি দুজন; ৪) সম্পাদক এজন।
৫) সহঃ সম্পাদক দুজন ৬) সাংগঠনিক সম্পাদক দুজন
৭) সাংস্কৃতিক সম্পাদক এজন ৮) প্ৰচাৰ আৰু পত্ৰিকা সম্পাদক এজন

৯) কোষাধ্যক্ষ এজন ১০) সাধাৰণ সদস্য ১৩ জন

১১) সাধাৰণ সদস্য ১৩ জনৰ ৮ জনক সাধাৰণ পৰিষদে নিৰ্ব্বাচন কৰিব আৰু বাকী ৫ জনৰ ৪ জনক নৱ নিৰ্ব্বাচিত কাৰ্যকৰীসভাৰ প্ৰথমখন বৈঠকে মনোনীত কৰিব। মনোনীতসকল সেইজিলা এলেকাধীন অনুসূচীত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা জাতিক প্ৰতিনিধিত্ব কৰাটো বাঞ্চনীয়।

১২) সদ্য প্ৰাক্তন সভাপতি আৰু সম্পাদক সেই পদলৈ পুনৰ নিৰ্বাচিত নহ'লে কাৰ্যকৰী সভাত ক্ৰমে উপদেষ্টা আৰু পদেন সদস্য হিচাপে থাকিব। পুনৰ্নিৰ্বাচিত হ'লে সাধাৰণ পৰিষদে আন দুজন সদস্যক সেই সেই পদলৈ নিৰ্বাচন কৰিব।

১৩) কাৰ্যকৰী সমিতিত অন্ততঃ তিনিগৰাকী মহিলা সদস্য থকাটো বাঞ্চনীয়। নিয়মাৱলীৰ আধাৰত নিৰ্ব্বাচিত নহ'লে মহিলা সদস্যসকলক মনোনীত কৰি ল'ব পাৰিব।

১৪) প্ৰয়োজনবোধে একাধিক উপদেষ্টা কাৰ্যকৰী সমিতিয়ে নিয়োগ কৰিব পাৰিব। অৱশ্যে তেখেতসকলৰ ভোটাধিকাৰ নেথাকিব।

১৫) সাধাৰণ পৰিষদে এগৰাকী হিচাপ পৰীক্ষক নিয়োগ কৰিব। তেখেত কিন্তু কাৰ্যকৰী সভাৰ সদস্য হ'ব নোৱাৰিব। তেখেতে জিলা সত্ৰ সভাৰ সমস্ত আয়-ব্যয়ৰ হিচাপ পৰীক্ষা কৰিব।

১৬) ৯ জন সদস্যৰ উপস্থিতিত কাৰ্যকৰী সভাৰ বৈঠকৰ থুল হ'ব।

চ) জিলা সত্ৰ সভাই প্ৰয়োজনবোধে আৰু মহাসভাৰ নিয়মাৱলীৰ আধাৰত নিজাববীয়াকৈ উপবিধি প্ৰণয়ন কৰি ল'ব পাৰিব। অৱশ্যে এনে উপবিধি মহাসভাৰ দ্বাৰা অনুমোদিত হ'ব লাগিব।

ছ) জিলা সত্ৰ সভা ইয়াৰ সকলো কাৰ্যৰ বাবে মহাসভাৰ ওচৰত দায়বদ্ধ থাকিব আৰু প্ৰতিবছৰে জিলা সত্ৰ সভাৰ বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত বাৰ্ষিক আয়-ব্যয়ৰ হিচাপ জিলা সাধাৰণ পৰিষদৰ যোগেদি মহাসভাত দাখিল কৰিব লাগিব।

জ) জিলা সত্ৰ সভাৰ কোষাধ্যক্ষজনে সভাৰ আয়-ব্যয়ৰ সম্পূৰ্ণ হিচাপ ৰাখিব। এই ক্ষেত্ৰত সম্পাদকজনে কোষাধ্যক্ষজনক সম্পূৰ্ণ সহযোগ আগবঢ়াব।

ঝ) প্ৰতি বছৰত জিলা সত্ৰ সভাৰ চাৰিখন কাৰ্যনিৰ্ব্বাহক সমিতিৰ বৈঠক

অনুষ্ঠিত হ'ব।

ঞ) জিলা সত্ৰ সভাক মহাসভাৰ সভাপতি নিৰ্ব্বাচনৰ বাবে একোটা গোট বুলি ধৰা হ'ব।

ট) মহাসভাৰ সভাপতি নিৰ্ব্বাচনৰ ক্ষেত্ৰত মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ দ্বাৰা প্ৰেৰিত তালিকাৰ ভিত্তিত জিলা সত্ৰ সভাৰ কাৰ্যকৰী সমিতিৰ সদস্যসকলে নিৰ্দ্ধাৰণ কৰিব কাৰ পক্ষে চূড়ান্ত ভোট দিব আৰু কি ধৰণে তালিকাৰ ক্ৰমনিৰ্দ্ধাৰণ কৰিব। প্ৰয়োজনবোধে গোপন ভোটৰো সহায় ল'ব পাৰিব।

জিলা সত্ৰ সভাৰ এই নিৰ্ব্বাচনী বৈঠকৰ কাৰ্য বিৱৰণীৰ প্ৰতিলিপি কাৰ্যকৰী সমিতিয়ে মহাসভালৈ প্ৰেৰণ কৰিব।

**৪ঃ৪ বহিঃ ৰাজ্যিক শাখা সত্ৰ সভা ঃ**

সত্ৰ নথকা অঞ্চলত ৰাজহুৱা নামঘৰ কিম্বা বৈষ্ণৱ সংস্কৃতিমূলক মঠ মন্দিৰক কেন্দ্ৰ কৰি সত্ৰৰ আৰ্হিৰে নাম-প্ৰসঙ্গ কৰি বৈষ্ণৱ ধৰ্ম তথা সত্ৰীয়া কৃষ্টি-সংস্কৃতি ৰক্ষা কৰি থকা সত্ৰপ্ৰেমী সজ্জনসকলক লৈ সংশ্লিষ্ট স্থানৰ নামেৰে অসম সত্ৰ মহাসভাৰ বহিঃ ৰাজ্যিক শাখা সত্ৰ সভা খুলিব পাৰিব। স্থান ভেদে ৰাজ্যৰ ভিতৰতো তেনে শাখা খোলাৰ প্ৰয়োজনবোধ কৰিলে মহাসভাই সকলো দিশ বিবেচনা কৰি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব। বহিঃ ৰাজ্যিক শাখা সত্ৰ সভাৰ গঠন প্ৰণালী নিম্নোক্ত ধৰণে হ'ব ঃ

১। সভাপতি এজন, কাৰ্যকৰী সভাপতি এজন, উপ-সভাপতি দুজন, সম্পাদক এজন, সহঃ সম্পাদক এজন, সাংস্কৃতিক সম্পাদক এজন, সাংগঠনিক সম্পাদক এজন, প্ৰচাৰ সম্পাদক এজন, কোষাধ্যক্ষ এজন আৰু এঘাৰজন সদস্যক লৈ মুঠ ২১ জন সদস্য বিশিষ্ট অসম সত্ৰ মহাসভাৰ বহিঃ ৰাজ্যিক শাখা সত্ৰ সভাৰ কাৰ্য নিৰ্বাহক সমিতি গঠন হ'ব।

২। কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠকত ৮ জন সদস্যৰ উপস্থিতিত থুল হ'ব।

৩। ৰাজ্যৰ অন্তৰ্ভুক্ত এনে শাখাৰ বৰঙণি সত্ৰ সভাৰ আৰ্হিতে হ'ব যদিও বহিঃ ৰাজ্যিক শাখাৰ প্ৰাথমিক সদস্য ভৰ্তি মাচুল ৫০.০০ (পঞ্চাশ) আৰু বাৰ্ষিক সদস্য বৰঙনি ৫১.০০ টকা।

৪। বহিঃ ৰাজ্যিক শাখা সত্ৰ সভাই বাৰ্ষিক বৰঙণি স্বৰূপে মহাসভাৰ

বাৰ্ষিক অধিৱেশনৰ আগতে প্ৰতিগৰাকী সদস্যৰ বাৰ্ষিক বৰঙণিৰ ঌ1±২০ টকাকৈ মহাসভাৰ পুঁজিত জমা দিব লাগিব। ৰাজ্যৰ অন্তৰ্ভুক্ত এনে শাখাৰ সদস্যসকলৰ মহাসভালৈ যাব লগা বৰঙণি সত্ৰ সভাৰ আৰ্হিৰে কৰণীয়।

৫। ৰাজ্যৰ অন্তৰ্ভুক্ত কিম্বা বহিঃ ৰাজ্যিক এনে শাখাৰ গঠনকে আদি কৰি সমস্ত কাৰ্যপ্ৰণালী মহাসভাই পোনপতীয়াকৈ তদাৰক কৰিব।

৬। সংশ্লিষ্ট শাখা সত্ৰ সভাই নিজাববীয়াকৈ মহাসভাৰ নিয়মাৱলীৰ আধাৰত আৰু সেই নিয়মাৱলীৰ বিৰোধ নোহোৱাকৈ উপবিধি তৈয়াৰ কৰি মহাসভাৰ আগতীয়া অনুমোদন সাপেক্ষে সেই সমূহ প্ৰৱৰ্তন কৰিব পাৰিব।

৭। কোনো স্থানত প্ৰস্তাৱিত শাখাৰ আৰ্হিত (৪ঃ১ ক'ত উল্লেখ থকা দৰে) কোনো সংগঠন ইতিপূৰ্বে গঠন হৈ থাকিলে তেনে সংগঠনে মহাসভাৰ অন্তৰ্ভূক্তিৰ বাবে আবেদন জনাব পাৰিব। তেনে আবেদন গ্ৰাহ্য হ'লে তেনে সংগঠনসমূহ প্ৰস্তাৱিত শাখাৰ আৰ্হিৰ নামকৰণেৰেই ভৱিষ্যত চিহ্নিত হ'ব।

৮। প্ৰতিখন এনে শাখাই মহাসভাৰ সভাপতি নিৰ্বাচনত এটা গোট হিচাপে অংশ ল'ব পাৰিব আৰু জিলা সত্ৰ সভাৰ আৰ্হিত ভোট প্ৰদান কৰিব পাৰিব।

৯। এনে বিশেষ শাখাবোৰৰ পৰা এটি দহজনীয়া প্ৰতিনিধি দলে মহাসভাৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব পাৰিব। ইয়াৰ উপৰিও দৰ্শক প্ৰতিনিধি হিচাপেও এনে শাখাৰ ইচ্ছুক সদস্য সকলে মহাসভাৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব পাৰিব যদিও তেখেতসকলৰ ভোটাধিকাৰ নেথাকিব।

১০। এনে শাখাৰ সকলো প্ৰকাৰৰ আয়-ব্যয়ৰ পৰীক্ষিত হিচাপ শাখা সত্ৰ সভাৰ বাৰ্ষিক সাধাৰণ সভাৰ যোগেদি মহাসভাক দাখিল কৰিব লাগিব।

**৪ঃ৫ অসম সত্ৰ মহাসভা ঃ**

অসমৰ সমূহ সত্ৰ সভা, আঞ্চলিক সত্ৰ সভা, জিলা সত্ৰ সভা, আন্তঃ

ৰাজ্যিক কিম্বা বহিঃ ৰাজ্যিক শাখা সত্ৰ সভা, মহাসভাৰ হিতৈষী আৰু আজীৱন সদস্যৰে মহাসভা গঠিত হ'ব।

মহাসভাৰ এখন সাধাৰণ পৰিষদ থাকিব আৰু সাধাৰণ পৰিষদৰ দ্বাৰা নিৰ্বাচিত এখন কাৰ্যকৰী সভাৰ দ্বাৰা মহাসভাৰ সমস্ত কাৰ্যক্ৰমণিকা পৰিচালিত হ'ব।

**৪ঃ৫ সাধাৰণ পৰিষদ ঃ**

মহাসভাৰ মুলত সাধাৰণ পৰিষদ থাকিব। প্ৰকৃতাৰ্থত সাধাৰণ পৰিষদখনেই মহাসভাৰ সৰ্বোচ্চ নীতি নিৰ্দ্ধাৰণ সদন হ'ব।

ক) সাধাৰণ পৰিষদ নিম্নোক্ত প্ৰতিনিধিসকলৰ দ্বাৰা গঠিত হ'ব ঃ

১) মহাসভাৰ হিতৈষী সদস্যসকল।

২) মহাসভাৰ আজীৱন সদস্যসকল।

৩) মহাসভাৰ সেই কাৰ্যকালৰ কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া আৰু সদস্যসকল।

৪) মহাসভাৰ প্ৰাক্তন সভাপতি আৰু প্ৰধান সম্পাদকসকল।

৫) প্ৰতি জিলা সভাৰ সভাপতি, সম্পাদকসহ ২১ জন প্ৰতিনিধি (জিলা সাধাৰণ পৰিষদৰ দ্বাৰা নিৰ্বাচিত)।

৬) আন্তঃৰাজ্যিক কিম্বা বহিঃ ৰাজ্যিক শাখা সত্ৰ সভাৰ পৰা দহজনকৈ প্ৰতিনিধি।

৭) বাৰ্ষিক অথবা দ্বিবাৰ্ষিক অধিবেশনৰ বাবে গঠিত আদৰণী/ অভ্যাৰ্থনা সমিতিৰ সভাপতি, সাধাৰণ সম্পাদক সহ ৯ জন সদস্য প্ৰতিনিধি।

৮) জিলা সত্ৰ সভা আৰু আন্তঃ কিম্বা বহিঃ ৰাজ্যিক শাখা সত্ৰ সভাৰ দৰ্শক প্ৰতিনিধিসকল (ভোটাধিকাৰ তথা বক্তব্যবিহীন)

খ) সাধাৰণ পৰিষদৰ মূল কাম বছেৰেকীয়া আৰু দ্বিবাৰ্ষিক অধিৱেশনত মিলিত হৈ মহাসভাৰ বিভিন্ন দিশৰ আলোচনাত অংশগ্ৰহণ কৰি মহাসভাৰ বাবে সাধাৰণ নীতি-নিৰ্দেশনা যুগুত কৰা আৰু পৰৱৰ্তী বৰ্ষৰ বাবে আঁচনি আৰু বাজেট নিৰ্দ্ধাৰণ কৰা।

গ) এমাহ সময়ৰ আগতে সংশ্লিষ্ট কাৰ্যালয়ে সাধাৰণ পৰিষদ আহ্বানৰ জাননী জাৰি কৰিব।

ঘ) নুন্যতম এশ এগৰাকী সদস্য/ প্ৰতিনিধিৰ উপস্থিতিত দ্বিবাৰ্ষিক সাধাৰণ পৰিষদৰ থুল হ'ব।

বাৰ্ষিক অধিৱেশনত ৫১ গৰাকী সদস্যৰ উপস্থিতিতে সাধাৰণ পৰিষদৰ থুল হ'ব।

**৪ঃ৫ (২) মহাসভাৰ কাৰ্যকৰী সমিতি ঃ**

ক) মহাসভাৰ সকলো যাৱতীয় কাৰ্য সম্পাদনৰ বাবে সভাপতিগৰাকীক মুখ্য কৰি এখন কাৰ্যকৰী সমিতি থাকিব। সাধাৰণ পৰিষদৰ দ্বাৰা নিৰ্বাচিত এই সমিতি ৬১জন সদস্যৰে তলত দিয়া ধৰণে গঠিত হ'ব। মহাসভাৰ সন্মানত আঘাত হানিব পৰা বা তেনে সম্ভাৱনা থকা কোনো বিতৰ্কিত ব্যক্তি কাৰ্যনিৰ্বাহকলৈ নিৰ্বাচন কৰাটো অনুচিত।

১) সভাপতি ১জন, ২) কাৰ্যকৰী সভাপতি ১জন,

৩) উপ-সভাপতি ৬জন, ৪) প্ৰধান সম্পাদক ১জন,

৫) সম্পাদক ৪জন, ৬) কোষাধ্যক্ষ ১জন,

৭) সাংগঠনিক সম্পাদক ৫ জন।

৮) সাংস্কৃতিক সম্পাদক তথা সত্ৰীয়া সংস্কৃতি চৰ্চাকেন্দ্ৰৰ সম্পাদক ১জন,

৯) প্ৰচাৰ পত্ৰিকা তথা প্ৰকাশন সচিব এজন,

১০) ন্যাস পুঁজিৰ আহ্বায়ক এজন।

১১) সাধাৰণ সদস্য ৩৯জন। (এইসকলৰ ৩০জন সাধাৰণ পৰিষদৰ সভাত নিৰ্বাচিত আৰু বাকী ৮ জন, নৱ নিৰ্বাচিত কাৰ্যকৰী সভাৰ প্ৰথমখন বৈঠকত বিভিন্ন জনগোষ্ঠীৰ পৰা প্ৰতিনিধিত্বমূলকভাৱে মনোনীত কৰি ল'ব।)

১২) সদ্য প্ৰাক্তন সভাপতি আৰু প্ৰধান সম্পাদক, নতুন কাৰ্যকৰী সমিতিৰ ক্ৰমে উপদেষ্টা আৰু পদেন সদস্য হ'ব। দুয়োগৰাকী পুনৰ সেই সেই পদলৈ নিৰ্বাচিত হ'লে সাধাৰণ পৰিষদে সভাত উপস্থিত সদস্যসকলৰ পৰা অন্য দুজনক কাৰ্যকৰী সভালৈ নিৰ্বাচিত কৰি ল'ব। তাৰে জ্যেষ্ঠতা আৰু অভিজ্ঞতাৰ ভিত্তিত এজন উপদেষ্টা আৰু এজন কাৰ্যকৰী সদস্য হ'ব।

১৩) প্ৰতিখন জিলা সত্ৰ সভা আৰু বহিঃ কিম্বা আন্তঃ ৰাজ্যিক শাখা

সত্ৰ সভাৰ সভাপতি আৰু সম্পাদক মহাসভাৰ কাৰ্যনিৰ্বাহক সভালৈ বিশেষ নিমন্ত্ৰীত সদস্য হিচাপে যোগদানৰ সুবিধা পাব।

১৪) মহসভাৰ 'সমন্বিত যুৱ-তীৰ্থ'ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু সম্পাদক বিশেষ নিমন্ত্ৰীত সদস্য হিচাপে মহাসভাৰ কেন্দ্ৰীয় কাৰ্য নিৰ্বাহকত স্থান পাব।

১৫) কাৰ্যকৰী সমিতিত শতকৰা ৩০ শতাংশ মহিলা সদস্য নিৰ্বাচিত হোৱাটো বাঞ্ছনীয়। যদি কোনো মহিলা কাৰ্য নিৰ্বাহক সভালৈ নিৰ্বাচিত নহয়, তেন্তে মহাসভাৰ সভাপতি আৰু প্ৰধান সম্পাদকে দুগৰাকী আৰু নৱ নিৰ্বাচিত কাৰ্যকৰী সভাই পাঁচগৰাকী মহিলাক মনোনীত কৰিব। সকলো মনোনয়নৰ ক্ষেত্ৰত সত্ৰীয়া সংস্কৃতিৰ ব্যুৎপত্তি আৰু মহাসভাৰ প্ৰতি থকা আনুগত্যহে বিবেচিত হ'ব। মনোনীত এই সদস্যসকলৰ ভোটাধিকাৰ নেথাকিব।

১৬) সাধাৰণ পৰিষদে প্ৰয়োজন সাপেক্ষে সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰতি বিশেষ ব্যুৎপত্তি থকা একাধিক লোকক উপদেষ্টা হিচাপে অন্তৰ্ভুক্ত কৰিব পাৰিব।

১৭) কাৰ্যনিৰ্বাহকৰ উপদেষ্টা আৰু বিশেষ নিমন্ত্ৰীত সদস্যসকলৰ ভোটাধিকাৰ নেথাকিব।

খ) কাৰ্যকৰী সমিতিয়ে মহাসভাৰ মহান উদ্দেশ্য আগত ৰাখি সকলো কাৰ্য সুকলমে সম্পাদন কৰিব। তদুপৰি সাধাৰণ পৰিষদত গৃহীত সকলো প্ৰস্তাৱ কাৰ্যকৰী কৰণৰ ব্যৱস্থা কৰিব। নিয়মাৱলীৰ বিষয়বস্তু অথবা কাৰ্যপ্ৰণালীক লৈ কোনো বিবাদ হ'লে কাৰ্যকৰী সমিতিৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

গ) কোনো সত্ৰ সভা/ আঞ্চলিক সত্ৰ সভা/ জিলা সত্ৰ সভা/ বহিঃ কিম্বা আন্তঃ ৰাজ্যিক শাখা সত্ৰ সভা, সমন্বিত যুৱ-তীৰ্থই মহাসভাৰ নিয়মাৱলী ভঙ্গ কৰিলে অথবা মহাসভাৰ কাৰ্যকৰী সমিতিৰ নিৰ্দেশ অমান্য কৰিলে মহাসভাই সেই সেই সভাৰ বিপক্ষে সমুচিত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব। প্ৰয়োজনবোধে সেই দোষী সভা ভঙ্গ কৰি নতুন সভা গঠন নোহোৱা পৰ্যন্ত তদৰ্থ সমিতি গঠন কৰি দিব।

ঘ) কাৰ্যকৰী সমিতি সাধাৰণ পৰিষদৰ ওচৰত দায়বদ্ধ থাকিব আৰু সকলো কাৰ্যক্ৰম সাধাৰণ পৰিষদৰ অনুমোদন সাপেক্ষে সম্পাদন কৰিব।

ঙ) সাধাৰণ পৰিষদত কাৰ্যকৰী সমিতিৰ বিৰুদ্ধে

১। অযোগ্যতা।

২। নিয়মাৱলী ভঙ্গ।

৩। মহাসভাৰ মূল উদ্দেশ্যৰ পৰপন্থী সামাজিক দুষ্কাৰ্যত ব্ৰতী হোৱা

বুলি কোনো জিলা বা আঞ্চলিক সত্ৰ সভাই উপযুক্ত প্ৰমাণসহ অনাস্থা প্ৰস্তাৱ আনিলে কেন্দ্ৰীয় কাৰ্যকৰী সমিতিয়ে সেই প্ৰস্তাৱ পোৱাৰ দুমাহৰ ভিতৰত সাধাৰণ পৰিষদ আহ্বান কৰিব লাগিব আৰু উক্ত প্ৰস্তাৱ সাধাৰণ পৰিষদৰ সভাত দুই তৃতীয়াংশ ভোটৰ সমৰ্থন পালে কাৰ্যকৰী সমিতিয়ে পদত্যাগ কৰিব।

চ) এনে পদত্যাগৰ পৰৱৰ্তী তিনিমাহৰ ভিতৰত নতুন কাৰ্যকৰী সমিতি গঠন কৰিব লাগিব। নতুন কাৰ্যকৰী সমিতি গঠন হোৱালৈকে মহাসভাৰ কাম-কাজ চলাবৰ বাবে সাধাৰণ পৰিষদে তৎকালীনভাৱে এখন তদৰ্থ সমিতি গঠন কৰি দিব। এনে তদৰ্থ সমিতিৰ বাবে এজন ভাৰপ্ৰাপ্ত সভাপতি, আৰু এজন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদকৰ উপৰিও নজন সদস্য বাচি দিব। তদৰ্থ সমিতিয়ে পৰৱৰ্তী তিনিমাহৰ ভিতৰত নতুন সভাপতি নিৰ্বাচনৰ সাংবিধানীক প্ৰক্ৰিয়া চূড়ান্ত কৰাৰ লগতে সাধাৰণ পৰিষদ আহ্বান কৰি নতুন কাৰ্যকৰী সমিতি গঠনৰ ব্যৱস্থা কৰিব। এনেদৰে নতুনকৈ গঠন কৰা কাৰ্যকৰী সমিতিয়ে সম্পূৰ্ণ দুবছৰীয়া কাৰ্যকাল সম্পন্ন কৰিব পাৰিব।

ছ) প্ৰতি বছৰে অন্ততঃ চাৰিবাৰ কাৰ্যকৰী সমিতিৰ বৈঠক বহিব। (বিভিন্ন জিলাত অনুষ্ঠিত হোৱাটো বাঞ্চনীয়)

জ) মহাসভাৰ কাৰ্যকৰী সমিতিয়ে জিলা বা আঞ্চলিক সত্ৰ সভাৰ কাৰ্যপৰিদৰ্শন, নিৰ্দেশ দিয়া আৰু নিয়ন্ত্ৰণ কৰা আৰু সেই সমূহৰ হিচাপ পৰীক্ষা কৰোৱাৰ ব্যৱস্থা কৰিব পাৰিব।

ঝ) মহাসভাৰ বিধি-নিয়মাৱলী ভঙ্গ কৰা অথবা তাৰ বিৰোধী কাৰ্য বা আচৰণ কৰা মহাসভাৰ অন্তৰ্গত যিকোনো সংগঠনৰ বিৰুদ্ধে সমুচিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

ঞ) মহাসভাৰ কাৰ্যকৰী সমিতিৰ বৈঠক আহ্বানৰ বাবে সংশ্লিষ্ট কাৰ্যালয়ে অন্ততঃ ১৫ দিনৰ আগতে জাননী জাৰি কৰিব লাগিব। জৰুৰী সভা আহ্বানৰ বাবে তেনে সময় ৭ দিন।

ট) একেলেঠাৰীয়ে তিনিখন সভাত উপযুক্ত কাৰণ নদৰ্শোৱাকৈ অনুপস্থিত

থকা কাৰ্যকৰী সমিতিৰ বিষয়ববীয়া / সদস্যই নিজ নিজ পদ হেৰুৱাব। খালি হোৱা বিষয়ববীয়াৰ পদ কাৰ্য নিৰ্বাহক সভাই ইয়াৰ সদস্যসকলৰ পৰাই নিৰ্বাচন কৰি ল'ব। অৱশ্যে খালি হোৱা সদস্য পদ মহাসভাৰ অন্যান্য সদস্যসকলৰ পৰা মনোনীত কৰি ল'ব পাৰিব।

ঠ) কাৰ্যকৰী সমিতিৰ বৈঠকৰ থুলৰ বাবে ইয়াৰ ১৭জন সদস্যৰ উপস্থিতি অনিবাৰ্য।

ড) কাৰ্যকৰী সমিতিয়ে প্ৰয়োজনবোধে মহাসভাৰ গৃহীত নিয়মাৱলীৰ বিৰোধ নোহোৱাকৈ উপবিধি তৈয়াৰ কৰি ল'ব পাৰিব।

ঢ) প্ৰতি দ্বিবাৰ্ষিক সাধাৰণ পৰিষদৰ সভাই মহাসভাৰ আভ্যন্তৰিণ হিচাপ পৰীক্ষাৰ বাবে এজন অৰ্হতা সম্পন্ন লোকক পৰৱৰ্তী দুবছৰৰ বাবে হিচাপ পৰীক্ষক নিয়োগ কৰিব।

**৪ঃ৫ (৩) মহাসভাৰ বাৰ্ষিক অধিৱেশন ঃ**

ক) মহাসভাৰ বাৰ্ষিক অধিৱেশন সম্ভৱস্থলত প্ৰতিবছৰে ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হ'ব।

খ) অধিৱেশন কোনো জিলাত অনুষ্ঠিত কৰিবলৈ প্ৰয়াস কৰিলে সংশ্লিষ্ট জিলা সমিতিয়ে বিগত শেষৰখন বাৰ্ষিক অধিবেশনতে আনুষ্ঠানিক প্ৰস্তাৱ আগবঢ়াব লাগিব। এনে প্ৰস্তাৱৰ গ্ৰহণযোগ্যতা বিবেচনা কৰি সাধাৰণ পৰিষদে পৰৱৰ্তী বাৰ্ষিক অধিৱেশনৰ স্থান নিৰ্ণয় কৰিব।

গ) যদি কোনো জিলা সভাই আনুষ্ঠানিক নিমন্ত্ৰণ নজনাই তেতিয়া মহাসভাৰ তৰফৰ পৰা স্থান নিৰ্ণয় কৰি সংশ্লিষ্ট জিলা সত্ৰ সভাক অধিৱেশনৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিব।

ঘ) বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতিৰ বাবে সংশ্লিষ্ট জিলা সত্ৰ সভাই মহাসভাৰ কাৰ্যকৰী সমিতিৰ সহায়-সহযোগত এখন অভ্যৰ্থনা সমিতি গঠন কৰিব। অধিৱেশনৰ সমস্ত খৰছ অভ্যৰ্থনা/আদৰণী সমিতিয়ে বহন কৰিব আৰু অধিৱেশন সমাপ্তিৰ দুমাহৰ ভিতৰত মহাসভাৰ কাৰ্যকৰী সমিতিৰ ওচৰত আয়-ব্যয়ৰ পৰীক্ষিত হিচাপ সংশ্লিষ্ট জিলা সমিতিৰ যোগেদি দাখিল কৰিব।

ঙ) মহাসভাৰ বছৰটোৰ আয়-ব্যয়ৰ পৰীক্ষিত হিচাপ, প্ৰধান সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন, নতুন আঁচনিৰ প্ৰস্তাৱ তথা বিগত আঁচনি ৰূপায়ণৰ সবিশেষ

সাধাৰণ পৰিষদৰ সভাত অনুমোদিত হ'ব লাগিব।

চ) বাৰ্ষিক অধিৱেশনৰ সমস্ত কাৰ্যসূচী অভ্যৰ্থনা সমিতিয়ে মহাসভাৰ কাৰ্যকৰী সমিতিৰ লগত আলোচনা মৰ্মে নিৰ্দ্ধাৰণ কৰিব।

ছ) অভ্যৰ্থনা সমিতিয়ে অধিৱেশনৰ লগত খাপ খোৱাকৈ সত্ৰীয়া সংস্কৃতি প্ৰতিফলন কৰিব পৰা সাংস্কৃতিক কাৰ্যসূচী আৰু আলোচনা চক্ৰ আদিৰ ব্যৱস্থা কৰিব।

**৪ঃ৫ (৪) মহাসভাৰ দ্বি-বাৰ্ষিক পূৰ্ণাঙ্গ অধিৱেশন ঃ**

ক) প্ৰতি দুবছৰৰ মূৰে মূৰে মহাসভাৰ পূৰ্ণাঙ্গ অধিৱেশন অনুষ্ঠিত হ'ব।

খ) অধিৱেশনৰ স্থান, সময়, অভ্যৰ্থনা /আদৰণী সমিতি গঠন আদি উপৰোক্ত ৪.৫ঃ৩ৰ 'ক', 'খ', 'গ' আৰু 'ঘ' উপছেদ মতেই মহাসভাৰ কাৰ্যকৰী সমিতিয়ে নিৰ্ণয় কৰিব।

গ) অধিৱেশনলৈ সাধাৰণ পৰিষদৰ সকলো সদস্যৰে নিমন্ত্ৰণ নিশ্চিত কৰিব লাগিব। ইয়াৰবাবে মহাসভাৰ কাৰ্যকৰী সমিতি দায়বদ্ধ হ'ব।

ঘ) অধিবেশনৰ আগে আগে প্ৰধান সম্পাদকে বিগত দুবছৰীয়া কাৰ্যকালৰ কাৰ্যক্ৰমণিকা কাৰ্যকৰী কৰাৰ চমু বিৱৰণীসহ প্ৰতিবেদনৰূপে যুগুত কৰি লগতে দুয়োবছৰৰ আয়-ব্যয়ৰ পৰীক্ষিত হিচাপ কাৰ্যকৰী সমিতিৰ অনুমোদনৰ অন্তত সাধাৰণ পৰিষদত দাখিল কৰি অনুমোদন ল'ব লাগিব।

ঙ) অভ্যৰ্থনা/আদৰণী সমিতিয়ে অধিৱেশনৰ কাৰ্যসূচীত মুকলি সভাৰ উপৰিও আলোচনা চক্ৰ, যুৱ-তীৰ্থ কাৰ্যসূচী, কিশলয় মহিলা সমাৰোহ, সাংস্কৃতিক সন্মিলন, প্ৰদৰ্শনী, গ্ৰন্থ উন্মোচন, সাংস্কৃতিক শোভাযাত্ৰা আদি কাৰ্যসূচী মহাসভাৰ কাৰ্যকৰী সভাৰ অনুমোদনৰ ভিত্তিত অন্তৰ্ভুক্ত কৰিব পাৰিব।

চ) মুকলি সভাকে আদি কৰি অধিবেশনৰ অন্যান্য কাৰ্যসূচীলৈ নিমন্ত্ৰণৰ ক্ষেত্ৰটো বিশিষ্ট সকলৰ বাছনিত মহাসভাৰ কাৰ্যকৰী সমিতিৰ অনুমোদন অনিবাৰ্য।

ছ) অধিবেশনৰ অন্যতম মুখ্য কাৰ্যসূচী হ'ব, সাধাৰণ পৰিষদৰ দ্বাৰা বিষয় বাছনি সভা অনুষ্ঠিত কৰি পৰৱৰ্তী দ্বিবাৰ্ষিক কাৰ্যকালৰ বাবে এখন নতুন কাৰ্যকৰী সমিতি গঠন কৰা।

জ) অধিবেশনৰ সাধাৰণ পৰিষদ, বিষয় বাচনী সভাকে আদি কৰি বিভিন্ন

কাৰ্যসূচীত সেই কাৰ্যকালৰ সভাপতিয়েই সভাপতিত্ব কৰিব।

ঝ) মুকলি অধিবেশনত নৱ-নিৰ্বাচিত সভাপতিয়ে সভাপতিত্ব কৰিব আৰু নিজৰ ভাষণ প্ৰদান কৰিব।

ঞ) মুকলি সভাত অভ্যৰ্থনা/আদৰণী সমিতিৰ সভাপতিয়ে আদৰণী ভাষণ প্ৰদান কৰিব।

ট) মুকলি অধিৱেশনত প্ৰধান সম্পাদকে নিজৰ দ্বি-বাৰ্ষিক প্ৰতিবেদনৰ উপৰিও, আয়-ব্যয়ৰ সংক্ষিপ্ত হিচাপ, নতুন কাৰ্য-আঁচনি, সাধাৰণ পৰিষদত গৃহীত প্ৰস্তাৱ আৰু নৱ নিৰ্বাচিত কাৰ্যকৰী সমিতিৰ সদস্য-সদস্যাৰ নাম ঘোষণা কৰিব।

ঠ) আমন্ত্ৰিত বিশিষ্ট অতিথিসকলে নিজ নিজ ভাষণ প্ৰদান কৰিব।

**৪ঃ৫ মহাসভাৰ 'সমন্বিত যুৱ-তীৰ্থ' ঃ**

সত্ৰসমূহৰ লগত জড়িত সত্ৰীয়া তথা ভক্ত বৈষ্ণৱ বৃন্দৰ ভৱিষ্যত প্ৰজন্মৰ মানসিক, চাৰিত্ৰিক, নৈতিক তথা আধ্যাত্মিক উন্নয়ন সাধনাৰ্থে আৰু ভৱিষ্যত যাতে জেষ্ঠসকলৰ অৱৰ্তমানত সত্ৰানুষ্ঠানক সংৰক্ষিত কৰি ৰাখি গুৰুসকলৰ বাণীসমূহ সম্প্ৰচাৰ কৰি বৈষ্ণৱসকলৰ তথা সমস্ত সমাজৰ হিত সাধন কৰিব পাৰে আৰু গুৰুজনাই জ্বলাই যোৱা অক্ষয় বন্তি গছি প্ৰজ্বলিত কৰি ৰাখিব পাৰে সেই উদ্দেশ্যে মহাসভাৰ সকলো শাখা-প্ৰশাখাৰে যুৱ সম্প্ৰদায়কলৈ 'সমন্বিত যুৱ-তীথ' নামেৰে অনুষ্ঠান বা শাখা গঠিত হ'ব। (গঠন আৰু কাৰ্যক্ৰম সম্পৰ্কে উপবিধি ১ত সন্নিৱিষ্ট কৰা হৈছে)

## <u>পঞ্চম ছেদ ঃ মহাসভাৰ বিষয়ববীয়াসকল ।। ৫।।</u>

মহাসভাৰ বিষয়ববীয়াসকল আৰু তেওঁলোকৰ ক্ষমতা আৰু কাৰ্যাৱলী ঃ

**৫ঃ১ সভাপতি ঃ**

সভাপতি জনেই মহাসভাৰ প্ৰধান কাৰ্যপালিকা আৰু তেখেতৰ স্থান সৰ্বশীৰ্ষত। তেখেত মহাসভাৰ নিয়মাৱলীৰ অৱৰক্ষক।

**ক) সভাপতি পদৰ বাবে অৰ্হতা ঃ**

মহাসভাৰ সৰ্বশীৰ্ষত থকা বাবে তেখেত অসমৰ সত্ৰীয়া সমাজখনৰ নমস্য

ব্যক্তি হোৱাটো বাঞ্চনীয়। তদুপৰি এই পদৰ প্ৰাৰ্থী গৰাকীৰ তলত দিয়া অৰ্হতা সমূহ থকাটো একান্ত বাঞ্চনীয়।

১। কোনো সত্ৰৰ পৰম্পৰা অনুসাৰে নীতিগতভাৱে অধিষ্ঠিত সত্ৰাধিকাৰ হ'ব লাগিব।

২। অসমত প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ প্ৰতি মৌলিক বৰঙণি আগবঢ়োৱা ব্যক্তি হ'ব লাগিব।

৩। বয়স নুন্যতম ৬০ বছৰ হ'ব লাগিব। উৰ্দ্ধতম বয়সৰ সীমা নেথাকিব যদিও কায়িক আৰু মানসিকভাৱে কাৰ্যক্ষম হৈ থকাটো বাঞ্চনীয়।

৪। সত্ৰীয়া সংস্কৃতি আৰু বৈষ্ণৱ ধৰ্মৰ মৌলিক তত্ব সমূহৰ বিস্তৰ জ্ঞান থাকিব লাগিব।

৫। তেখেত কোনো দেৱানী বা ফোজদাৰী গোচৰত শাস্তি পোৱা বা যিকোনো সামাজিক বিষয়ত বিতৰ্কিত ব্যক্তি হ'ব নেলাগিব।

৬। মহাসভাৰ প্ৰতি নিষ্ঠাবান আৰু আনুগত্য থকা ব্যক্তি হোৱা একান্ত প্ৰয়োজনীয়। জাতীয় অনুষ্ঠানটিৰ প্ৰতি অশুভ আচৰণ কৰা যি কোনো ব্যক্তি শীৰ্ষ পদটিৰ বাবে অযোগ্য বিবেচিত হ'ব। অসমীয়া ভাষাৰ উপৰিও অন্যান্য ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ভাষাৰ ব্যৱহাৰিক জ্ঞান থকাটো বাঞ্চনীয়।

**খ) সভাপতি নিৰ্বাচন ঃ**

মহাসভাৰ সভাপতিগৰাকী জিলা সত্ৰ সভাসমূহে আৰু আন্তঃ কিম্বা বহিঃৰাজ্যিক শাখা সত্ৰসমূহে পঠোৱা প্ৰস্তাৱিত নামৰ আধাৰত মহাসভাৰ কাৰ্যকৰী সমিতিয়ে নিৰ্বাচন কৰিব। নিৰ্বাচন পদ্ধতি নিম্ন উল্লেখিত ধৰণে হ'বঃ

১। দ্বিবাৰ্ষিক অধিবেশনৰ অন্ততঃ তিনিমাহৰ আগতে মহাসভাৰ কাৰ্যকৰী সমিতিয়ে ৫ (ক)ত উল্লেখ কৰা গুণসম্পন্ন তিনিগৰাকী সত্ৰধিকাৰৰ নাম জিলা সমূহে প্ৰস্তাৱ কৰা নামৰ মাজৰ পৰা লৈ অসমীয়া বৰ্ণানুক্ৰমে তালিকা প্ৰস্তুত কৰি সংশ্লিষ্ট সকলৰ পূৰ্বানুমতিলৈ জিলা সত্ৰ সভাসমূহলৈ পঠাই তেওঁলোকৰ মতামত গোপনীয়ভাৱে আহ্বান কৰিব।

২। এমাহৰ ভিতৰত সমূহ সংশ্লিষ্ট সভাই নিজৰ মতামত গোপনীয়ভাৱে মহাসভালৈ পঠাব লাগিব।

৩। কাৰ্যকৰী সমিতিয়ে সকলো মতামত গোটাই সমিতিৰ বৈঠকত

মতামতৰ সংখ্যা গৰিষ্ঠতাৰ ভিত্তিত চূড়ান্ত বাছনিৰে সিদ্ধান্তলৈ দ্বি-বাৰ্ষিক অধিৱেশনৰ এমাহৰ আগতে নতুন সভাপতিৰ নাম ৰাজহুৱাভাৱে ঘোষণা কৰিব।

৪। এনে কৰোতে কোনো দুজনা প্ৰাৰ্থীয়ে সমান ভোট পালে কাৰ্যকৰী সভাই লটাৰীৰ সহায়ত সভাপতিজন নিৰ্বাচন কৰিব। এই কাৰ্যত কোনো বাদ-বিসম্বাদ হ'লে মহাসভাৰ কাৰ্যকৰী সভাই সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা তাক নিষ্পত্তি কৰিব। এনেক্ষেত্ৰত কাৰ্যকৰী সমিতিৰ ৰায়েই চূড়ান্ত বুলি গণ্য হ'ব।

৫। সভাপতি নিৰ্বাচনৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটো পৰিচালনা কৰিবৰ বাবে কাৰ্যকৰী সমিতিয়ে এগৰাকী অৰ্হতা সম্পন্ন নিৰপেক্ষ ব্যক্তিক সৰ্বসন্মতিক্ৰমে নিৰ্বাচনী বিষয়াৰূপে নিয়োজিত কৰিব।

**গ) সভাপতিৰ কাৰ্যাৱলী ঃ**

সভাপতিজন মহাসভাৰ মূল ব্যক্তি হ'ব। তেখেতে মহাসভাৰ সকলো দিশৰ ওপৰতে চকু ৰাখিব। তেখেতৰ কাৰ্যাৱলী সংক্ষেপে তলত দিয়া ধৰণে হ'ব —

১। নৱ-নিৰ্বাচিত সভাপতিয়ে নিৰ্বাচনৰ পৰৱৰ্তী দ্বিবাৰ্ষিক অধিৱেশনৰ মুকলি সভাত সভাপতিত্ব কৰিব।

২। মহাসভাৰ সকলো কাৰ্য সম্পাদনতে তেখেতে বাকী কৰ্মকৰ্তাসকলক দিহা-পৰামৰ্শ দিব।

৩। প্ৰয়োজনবোধে মহাসভাৰ স্বাৰ্থত আৰু মহাসভাৰ হকে বাতৰি কাকতত বিবৃতি বা প্ৰেছ বিজ্ঞপ্তি দিব।

৪। মহাসভাৰ কাৰ্যকৰী সমিতি অথবা মহাসভাৰ অনুগত কোনো সভাত কোনো কোনো বিষয়ত সমান সমান ভোট হ'লে, তেখেতে নিৰ্ণায়ক ভোট প্ৰদান কৰিব আৰু ভোট গ্ৰহণৰ প্ৰথা আলোচনামৰ্মে তেখেতে স্থিৰ কৰিব।

৫। তেখেতে মহাসভাৰ কাৰ্যকৰী সমিতিৰ বৈঠক প্ৰধান সম্পাদকৰ জৰিয়তে আহ্বান কৰাব।

৬। মহাসভাৰ সকলো বাৰ্ষিক অধিৱেশন, বিশেষ অধিৱেশন তথা কাৰ্যকৰী সমিতিৰ বৈঠক আদিত সভাপতিত্ব কৰিব। প্ৰয়োজনৰ গুৰুত্বৰ প্ৰতি লক্ষ কৰি প্ৰধান সম্পাদকৰ অবৰ্তমানত এগৰাকী জ্যেষ্ঠ সম্পাদকৰ দ্বাৰা সভা আহ্বান কৰিব।

৭। গৰিষ্ঠ সংখ্যক নিয়মিত আৰু অৰ্হতাসম্পন্ন সদস্যই সাধাৰণ পৰিষদ তলবৰ পৰামৰ্শৰ গুৰুত্ব অনুধাৱন কৰি সভাপতিগৰাকীয়ে প্ৰধান সম্পাদকক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত সাধাৰণ পৰিষদ আহ্বান কৰাৰ পৰামৰ্শ দিব। প্ৰধান সম্পাদক ব্যৰ্থ হ'লে তেনে সভা সভাপতিয়ে নিজেই আহ্বান কৰিব।

৮। সভাপতিয়ে প্ৰয়োজনবোধ কৰিলে মহাসভাৰ আয়-ব্যয়, জমা-খৰছ আদি হিচাপ পৰ্যবেক্ষণ কৰিব পাৰিব।

৯। অধিক সংখ্যক কাৰ্যনিৰ্বাহক সদস্যই নিয়মাৱলী বৰ্হিভূত কাৰ্যত লিপ্ত হোৱাটো প্ৰতিয়মান হ'লে মহাসভাৰ স্বাৰ্থত সভাপতিয়ে কাৰ্যকৰী সমিতি ভংগ কৰিব পাৰিব।

**ঘ) সভাপতিৰ অপসাৰণ ঃ**

মহাসভাৰ সভাপতিগৰাকীয়ে নিজৰ ব্যক্তিগত কাৰণত পদত্যাগ কৰিব পাৰিব। এনে ক্ষেত্ৰত তেখেতে কাৰ্যকৰী সভাপতিৰ হাতত পদত্যাগ পত্ৰ প্ৰদান কৰিব। এনে পৰিস্থিতিত কাৰ্যকৰী সভাপতিয়ে প্ৰধান সম্পাদকৰ যোগেদি জৰুৰীভাৱে কাৰ্যকৰী সমিতি আহ্বান কৰি কাৰ্যকৰী সভাৰ সহযোগত বিষয়টিৰ সংক্ৰান্তত চূড়ান্ত সিদ্ধান্ত ল'ব।

সভাপতিগৰাকীৰ আযোগ্যতা অথবা নিয়মাৱলী ভংগৰ প্ৰত্যায়িত প্ৰমাণসহ কোনো জিলা বা আঞ্চলিক সত্ৰ সভাই সভাপতিৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিলে সেই প্ৰস্তাৱ আলোচনাৰ বাবে মহাসভাৰ কাৰ্যকৰী সমিতিয়ে বিশেষ সাধাৰণ সভা আহ্বান কৰিব। প্ৰস্তাৱটি আলোচনাৰ অন্তত যদি কাৰ্যকৰী সমিতিৰ দুই তৃতীয়াংশ ভোটত প্ৰস্তাৱটি গ্ৰাহ্য হয় তেতিয়াহ'লে সভাপতিগৰাকীয়ে সেই পদৰ পৰা আঁতৰি আহিব।

অন্যহাতে কাৰ্যকালৰ ভিতৰতে সভাপতিগৰাকী বৈকুণ্ঠী হ'লে তাৎক্ষণিকভাৱে তেখেতৰ সভাপতি হিচাপে সকলো দায়িত্ব কাৰ্যকৰী সভাপতি গৰাকীয়ে গ্ৰহণ কৰিব আৰু তেখেতে কাৰ্যকালৰ বাকী ছোৱা সময় ভাৰপ্ৰাপ্ত সভাপতিৰূপে কাৰ্য সম্পাদন কৰিব। কেৱল সেয়ে নহয়, স্বেচ্ছাই পদত্যাগ কৰা অথবা অপসাৰিত হোৱা দুয়ো ক্ষেত্ৰতে কাৰ্যকৰী সভাপতি গৰাকীয়ে কাৰ্যকালৰ বাকী সময়ছোৱা ভাৰপ্ৰাপ্ত সভাপতি হিচাপে কাৰ্যভাৰ চলাই যাব।

**৫ঃ২ কাৰ্যকৰী সভাপতি ঃ**

মহাসভাৰ কাৰ্যকৰী সভাপতি গৰাকী পদমৰ্যদাত অনুষ্ঠানটিৰ দ্বিতীয় শীৰ্ষ পদত অধিষ্ঠিত। এই পদৰ অৰ্হতা ৫ (ক)ত দিয়া ধৰণেই হ'ব। বয়স পঞ্চাশৰ উৰ্দ্ধত হ'ব লাগিব।

**ক) নিৰ্বাচন ঃ**

১) মহাসভাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সাধাৰণ পৰিষদৰ সভাত যোগ্যতা অনুসৰি কাৰ্যকৰী সভাপতি গৰাকী নিৰ্বাচিত হ'ব।

২) তেওঁ মহাসভাৰ আজীৱন সভ্য হ'ব লাগিব আৰু মহাসভাৰ কাৰ্যাৱলীৰ সম্যক জ্ঞান থকাটো একান্তই বাঞ্ছনীয়।

৩) এইক্ষেত্ৰত একাধিক প্ৰাৰ্থীৰ নাম প্ৰস্তাৱ হ'লে ভোটৰ দ্বাৰা এই পদৰ প্ৰাৰ্থী নিৰ্ণীত হ'ব। দুজন ব্যক্তিয়ে সমান ভোট পালে সেই সভাৰ সভাপতিজনে নিৰ্ণায়ক ভোট দি চূড়ান্ত প্ৰাৰ্থীজন নিৰ্ণয় কৰিব।

**খ) কাৰ্যকৰী সভাপতিৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

কাৰ্যকৰী সভাপতি গৰাকীয়ে মুখ্যতঃ মহাসভাৰ কাৰ্যপৰিচালনাত সভাপতি গৰাকীৰ লগত সম্পূৰ্ণ সহযোগ কৰিব। তদুপৰি তেখেতে—

১। আন আন কৰ্মকৰ্ত্তাক প্ৰয়োজন সাপেক্ষে নীতি-নিৰ্দেশনা দিব।

২। সভাপতিৰ দ্বাৰা ন্যস্ত কাৰ্যভাৰ পালন কৰাত তেখেতৰ মুখ্য কাম হ'ব।

৩। সভাপতিৰ অবৰ্তমানত মহাসভাৰ সকলো কামৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব।

**গ) কাৰ্যকৰী সভাপতিৰ অপসাৰণ ঃ**

১। মহাসভাৰ সভাপতিৰ অনুৰূপে ব্যক্তিগত কাৰণত তেখেতে পদত্যাগ কৰিব পাৰিব। এনে পদত্যাগ পত্ৰ নিজহাতে লিখি সভাপতিলৈ প্ৰেৰণ কৰিব আৰু সভাপতিয়ে কাৰ্যকৰী সমিতিৰ অনুমোদন সাপেক্ষে উক্ত পদত্যাগ গ্ৰহণ কৰি এজন জ্যেষ্ঠ উপ-সভাপতিক কাৰ্যকৰী সভাপতিৰ কাৰ্যভাৰ প্ৰদান কৰিব।

উপ-সভাপতিগৰাকীয়ে চলিত কাৰ্যকাল শেষ নোহোৱা পৰ্যন্ত ভাৰপ্ৰাপ্ত কাৰ্যকৰী সভাপতি হিচাপে কাম চলাই যাব।

২। সভাপতিৰ নিচিনাকৈয়ে এখেতৰ বিৰুদ্ধে সেই একেবিলাক কাৰণতে অনাস্থা প্ৰস্তাৱ আনিব পাৰিব আৰু সেই একে নীতিৰে কাৰ্যকৰী সভাপতি গৰাকীক আপসাৰণ কৰিব পাৰিব।

৩। কাৰ্যকালৰ ভিতৰত কোনো কাৰ্যকৰী সভাপতি বৈকুণ্ঠী হ'লে বা উপৰোক্ত ২ উপচ্ছেদ অনুসৰি অপসাৰিত হ'লে উপচ্ছেদ ১ অনুসৰিয়েই নতুন ভাৰপ্ৰাপ্ত কাৰ্যকৰী সভাপতি নিৰ্বাচিত হ'ব।

**৫ঃ৩ উপ-সভাপতি ঃ**

মহাসভাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সাধাৰণ পৰিষদে ছগৰাকী উপ-সভাপতি অঞ্চলভিত্তিক নিৰ্বাচন কৰিব। উপ-সভাপতিসকল সত্ৰীয়া আৰু সত্ৰৰ প্ৰতি শ্ৰদ্ধাশীল লোকৰ মাজৰ পৰা নিৰ্বাচিত হোৱাটো বাঞ্ছনীয়।

**ক) উপ-সভাপতি পদৰ বাবে অৰ্হতা ঃ**

১। উপসভাপতি পদৰ প্ৰাৰ্থীজন মহাসভাৰ লগত একান্তভাৱে জড়িত হোৱাৰ লগতে মহাসভাৰ আজীৱন সদস্য হ'ব লাগিব। অন্যহাতে মহাসভাৰ প্ৰধান সম্পাদক, সম্পাদক আদি পদৰ অভিজ্ঞতাপুষ্ট হোৱাটো বাঞ্ছনীয়।

২। অসমৰ সাহিত্য-সংস্কৃতি তথা বৈষ্ণৱ পৰম্পৰাৰে জ্ঞান-পুষ্ট ব্যক্তি হোৱাটো বাঞ্ছনীয়।

৩। অসমীয়াৰ উপৰিও সংস্কৃত, হিন্দী, ইংৰাজী আদি ভাষাৰ সম্যক জ্ঞান থকাটো বাঞ্ছনীয়।

৪। কোনো সত্ৰৰ ডেকা সত্ৰাধিকাৰ, ডেকা সত্ৰীয়া অথবা গায়ন-বায়ন হিচাপে নাইবা প্ৰত্যক্ষ হিচাপে সত্ৰৰ লগত জড়িত অৰ্হতা সম্পন্ন সত্ৰপ্ৰেমী হোৱাৰ লগতে বয়স পঞ্চাশৰ উৰ্দ্ধত হ'ব লাগিব।

**খ) উপ-সভাপতিৰ অপসাৰণ ঃ**

প্ৰয়োজনবোধে কাৰ্যকৰী সভাপতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা পদ্ধতিৰেই উপ-সভাপতিকো সেই পদৰ পৰা অপসাৰণ কৰিব পৰা হ'ব।

গ) উপ-সভাপতিৰ কাৰ্য ঃ

উপ-সভাপতি কেইগৰাকীৰ প্ৰধান কাম হ'ব মহাসভাৰ কাৰ্যাৱলী সুচাৰুৰূপে পৰিচালনা কৰাত মহাসভাক সৰ্বতোপ্ৰকাৰে সহায়-সহযোগ কৰা। সেইক্ষেত্ৰত সভাপতি অথবা কাৰ্যকৰী সভাপতিয়ে মহাসভাৰ যি যি দায়িত্ব তেখেতসকলৰ ওপৰত ন্যস্ত কৰে সেই সেই দায়িত্ব নিয়াৰিকৈ ৰূপায়ণ কৰিব।

উপ-সভাপতি সকলৰ এজন মহাসভাৰ কেন্দ্ৰীয় কাৰ্যালয় থকা যোৰহাট জিলাৰ ভৌগলিক সীমাৰ ভিতৰত থকা সত্ৰৰ পৰা নিৰ্বাচিত হ'ব লাগিব। তেখেতৰ দায়িত্ব হ'ব কেন্দ্ৰীয় কাৰ্যালয় আৰু কেন্দ্ৰীয় নামঘৰ পৰিচালনা কৰা। একেদৰে গুৱাহাটীস্থ কেন্দ্ৰীয় উপ-কাৰ্যালয়ৰ দায়িত্বৰ বাবে সেই এলেকাৰ পৰাও এগৰাকী উপ-সভাপতি নিৰ্বাচিত কৰিব।

বাকী চাৰিজন মহাসভাৰ চাৰিটা সাংগঠনিক গোটৰ অন্তৰ্গত এলেকাৰ পৰা হোৱাটো বাঞ্ছনীয়। প্ৰতিগৰাকীয়েই নিজ নিজ সাংগঠনিক গোটৰ এলেকাত মহাসভাৰ কাম-কাজ পৰিচালনা কৰিব।

৫ঃ৪ প্ৰধান সম্পাদক ঃ

প্ৰধান সম্পাদকজন মহাসভাৰ প্ৰধান কাৰ্যবাহী হিচাপে প্ৰচুৰ দায়িত্ব পালনত ব্ৰতী হ'ব লাগিব। সমস্ত কাৰ্যৰ বাবে কাৰ্যকৰী সমিতি আৰু সাধাৰণ পৰিষদৰ ওচৰত দায়বদ্ধ হৈ থাকিব।

৫ঃ৪ ক) প্ৰধান সম্পাদক পদৰ বাবে অৰ্হতা ঃ

১। সমগ্ৰ অসমৰ সত্ৰসমূহৰ বিষয়ে সম্যক জ্ঞান থকাটো বাঞ্চনীয়।

২। সত্ৰীয়া সাহিত্য-সংস্কৃতিৰ সম্যক জ্ঞান থকাটো অতি প্ৰয়োজনীয়।

৩। সত্ৰ, সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আস্থাৱান লোক হ'ব লাগিব।

৪। বৈষ্ণৱ ধৰ্মৰ মূল তত্বৰ জ্ঞান অতিৰিক্ত অৰ্হতা ৰূপে বিবেচিত হ'ব।

৫। বয়স ৪৫ ৰ উৰ্দ্ধত হ'ব লাগিব।

৬। সভাপতি পদৰ ক্ষেত্ৰত ৫ঃ১ (ক)ৰ ৫ আৰু ৬ উপচ্ছেদত লিপিবদ্ধ কৰা কথাখিনিও প্ৰযোজ্য হ'ব।

৭। ৰাজনৈতিক, ৰাজপত্ৰিত কিম্বা অৰাজপত্ৰিত কাৰ্যবাহী পদৰ লেখীয়া দায়িত্বৰ পৰা মুক্ত হৈ থাকিব লাগিব।

৮। মহাসভাৰ লগত অন্ততঃ ৪ বছৰ কাল সক্ৰীয়ভাৱে জড়িত থকা কিম্বা সম্পাদক, সাংগঠনিক সম্পাদক আদি পদত কাম কৰাৰ অভিজ্ঞতা থকা, কিম্বা জিলা বা আঞ্চলিক সভাৰ লগত অন্ততঃ ছবছৰ কাল সম্পাদক ৰূপে কাম কৰা অভিজ্ঞ ব্যক্তি হোৱাটো বাঞ্চনীয়।

৯। সৰ্বোপৰি মহাসভাৰ কামত একানপতীয়াকৈ লাগি থাকি প্ৰধান সম্পাদক হিচাপে সকলো কাৰ্য পৰিচালনা কৰিব পৰাকৈ অভিজ্ঞ আৰু অৰ্হতাসম্পন্ন উপযুক্ত ব্যক্তি হ'ব বুলি সাধাৰণ পৰিষদ নিশ্চিত হ'ব লাগিব।

**৫ঃ৪ (খ) প্ৰধান সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য ঃ**

১। মহসভাৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ অৰক্ষক ৰূপে সকলো দিশ চোৱা-মেলা, সংৰক্ষণ তথা সংবৰ্ধনৰ দায়িত্ব প্ৰধান সম্পাদকৰ।

২। মহাসভাৰ সভাপতিক সৰ্বতোপ্ৰকাৰে সহায়-সহযোগ আগবঢ়োৱা।

৩। মহাসভাৰ কাৰ্যকৰী সমিতিৰ নিৰ্দেশ অনুসৰি সেই সমিতিৰ দ্বাৰা আৰোপিত সমস্ত দায়িত্ব নিষ্ঠাৰে পালন কৰা।

৪। মহাসভাৰ সকলো প্ৰকাৰৰ যোগাযোগৰ দায়িত্ব প্ৰধান সম্পাদকৰ ওপৰত ন্যস্ত। লগতে মহাসভাৰ হৈ সভাপতি আৰু সভাপতিৰ অৱৰ্তমানত কাৰ্যকৰী সভাপতিৰ লগত আলোচনা কৰি বিবৃতি প্ৰদান কৰা।

৫। কাৰ্যকৰী সমিতি মহাসভাৰ বাৰ্ষিক আৰু দ্বিবাৰ্ষিক অধিৱেশনৰ বিশেষ অথবা বিশেষ জৰুৰী অধিবেশন আদি আহ্বানৰ দায়িত্ব

৬। মহসভাৰ সকলো বৈঠকৰে তথা কাৰ্যকৰী সমিতিৰ বৈঠক সমূহৰ কাৰ্য বিৱৰণী নিয়মিতভাৱে লিপিবদ্ধ কৰা আৰু সেই সমূহ পৰৱৰ্তী সভাত দৃঢ়িকৰণ কৰাই লোৱা।

৭। মহাসভাৰ হকে বা বিৰুদ্ধে যিকোনো গোচৰ বা মোকৰ্দমাৰ কাৰণ উদ্ভৱ হ'লে মহাসভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ এলেকাধীন যোৰহাট মোকৰ্দমাৰ অধিক্ষেত্ৰ হ'ব। মহাসভাৰ হৈ আদালতত গোচৰ তৰিব লগা হ'লে প্ৰধান সম্পাদকে কাৰ্যকৰী সমিতি সিদ্ধান্তৰ ভিত্তিত গোচৰ তৰিব আৰু মহাসভাৰ ওপৰত তৰা গোচৰ প্ৰধান সম্পাদকৰ নামত পঞ্জীয়ন হ'ব।

৮। কোষাধ্যক্ষৰ সহায়ত আয়-ব্যয়ৰ খটিয়ান প্ৰস্তুত কৰি হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰাই পৰীক্ষিত হিচাপ কাৰ্যকৰী সমিতিৰ যোগেদি দ্বি-বাৰ্ষিক

অধিৱেশনৰ সাধৰণ সভাত দাখিল কৰি অনুমোদন ল'ব আৰু গৃহীত হিচাপ সংক্ষেপে মুকলি সভাত উত্থাপন কৰিব।

৯। কোষাধ্যক্ষৰ লগত টকা-পইছা, বেংক আদিৰ লেনদেন কৰিব আৰু নিয়মিতভাৱে সকলো লেনদেন, হিচাপ যথাযথভাৱে সংৰক্ষণ কৰিব।

১০। বছৰৰ প্ৰাৰম্ভতে পৰৱৰ্তী বছৰটোৰ বাবে সভাপতি, কাৰ্যকৰী সভাপতি আৰু কোষাধ্যক্ষৰে আলোচনী কৰি সাম্ভাব্য বাৰ্ষিক বাজেট প্ৰস্তুত কৰি কাৰ্য নিৰ্বাহকৰ প্ৰথম সভাত অনুমোদন কৰাই ল'ব।

১১। মহাসভাৰ কোনো নিৰ্মাণ কাৰ্য, সম্পদ ক্ৰয় আদিৰ খৰছ সম্ভাৱ্য পাঁচ হেজাৰৰ অধিক হ'লে কাৰ্যকৰী সমিতিৰ অনুমোদন সাপেক্ষে নিবিদা গ্ৰহণ কৰিব লাগিব।

১৩। কোষাধ্যক্ষৰ সহযোগত ৰোকৰ বহীত নিয়মিতভাৱে হিচাপ লিখিব আৰু বিশ্বাসযোগ্য ৰছিদ পত্ৰ সংৰক্ষণ কৰিব আৰু আকস্মিক খৰছৰ বাবে তেওঁৰ হাতত উৰ্দ্ধতম ২০০০.০০ টকা (দুই হাজাৰ) পৰ্যন্ত ৰাখিব পাৰিব। আকস্মিক ব্যয়ৰ হিচাপ নিয়মিতভাৱে লিপিবদ্ধ কৰিব।

১৪। মহাসভাৰ হিতৈষী আৰু আজীৱন সভ্যৰ নাম-তালিকা নিয়মিতভাৱে ৰাখিব আৰু প্ৰকাশ কৰিব।

১৫। সকলো প্ৰাপ্য ধনৰ বাবে মহাসভাৰ নিৰ্ধাৰিত ৰছিদৰ বিনিময়ত দান-বৰঙণি গ্ৰহণ কৰিব আৰু দেয় ধনৰ বাবে প্ৰামাণিক ৰছিদ ল'ব। সংগৃহীত ধন এসপ্তাহৰ ভিতৰত মহাসভাৰ বেঙ্ক একাউণ্টত জমা দিব।

১৬। মহাসভাৰ সকলো স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ নিয়মিত তালিকা ৰাখিব।

১৭। মহাসভাৰ গাড়ী ব্যৱহাৰ কৰিলে ব্যৱহাৰৰ উদ্দেশ্য আদিৰ বিৱৰণ, তাৰবাবে হোৱা খৰছ-পাতিৰ প্ৰামাণ্য হিচাপ নথিভুক্ত কৰিব।

**৫ঃ৪ (গ) প্ৰধান সম্পাদকৰ নিৰ্বাচন ঃ**

মহাসভাৰ দ্বি-বাৰ্ষিক অধিৱেশনত ৫ঃ৪(ক)ত দিয়া অৰ্হতা সম্পন্ন ব্যক্তিক প্ৰধান সম্পাদক ৰূপে নিৰ্বাচন কৰিব।

**৫ঃ৪ (ঘ) প্ৰধান সম্পাদকৰ অপসাৰণ ঃ**

১। প্ৰধান সম্পাদকে ব্যক্তিগত কাৰণত পদত্যাগ কৰিব পাৰিব; তেনে

কৰিলে তেওঁ নিজ হাতে লিখি সভাপতিৰ হাতত ত্যাগ পত্ৰ দাখিল কৰিব।

২। পদত্যাগ গৃহীত হ'লে হাতত থকা টকা-পইচাকে আদি কৰি সকলোবোৰৰ হিচাপ-কিতাপ, নথি-পত্ৰ, সা-সম্পত্তি আদি চমজি দিব লাগিব।

৩। সভাপতি গৰাকীৰ বিপক্ষে উত্থাপন কৰাৰ নিচিনাকৈ একেবোৰ কাৰণতে সাধাৰণ সম্পাদকৰ বিৰুদ্ধেও অনাস্থা প্ৰস্তাৱ আনিব পাৰিব আৰু ৫ঃ১(ঘ)ত দিয়া নীতিৰেই প্ৰধান সম্পাদকক সেই পদৰ পৰা অব্যাহতি দিব পৰা হ'ব।

৪। প্ৰধান সম্পাদকক সেই পদৰ পৰা অব্যাহতি দিলে কিম্বা পদত্যাগ পত্ৰ গৃহীত হ'লে সভাপতিয়ে কাৰ্যকৰী সমিতিৰ অনুমোদন সাপেক্ষে এজন জ্যেষ্ঠ কৰ্মতৎপৰ সম্পাদকক ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক পদত নিয়োগ কৰি কাৰ্যকালৰ বাকী থকা কালছোৰা চলাই যাবৰ বাবে দায়িত্ব প্ৰদান কৰিব। ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদকে অব্যাহতি দিয়া প্ৰধান সম্পাদকৰ পৰা মহাসভাৰ সমস্ত সম্পদ চমজি ল'ব।

**৫ঃ৫ অনান্য বিষয়ববীয়া আৰু কাৰ্যকৰী সমিতিৰ সদস্য ঃ**

সম্পাদক, সাংগঠনিক সম্পাদক, কোষাধ্যক্ষ, সাংস্কৃতিক সম্পাদক, পত্ৰিকা তথা প্ৰচাৰ সম্পাদক, ন্যাস পুঁজিৰ আহ্বায়ক আদি সকলো বিষয়ববীয়া তথা কাৰ্যকৰী সমিতিৰ সদস্য মহাসভাৰ দ্বিবাষিক অধিবেশনত নিৰ্বাচিত হ'ব।

কাৰ্যকৰী সমিতিৰ এই পদ তথা সদস্যসকলৰ যোগ্যতাৰ ক্ষেত্ৰত ১। মহাসভাৰ লগত কমেও তিনি বছৰকাল জড়িত থকা অভিজ্ঞ ব্যক্তি হ'ব লাগিব; ২। জিলা বা আঞ্চলিক সত্ৰ সভাৰ লগত কমেও পাঁচ বছৰ কাল জড়িত থকা ব্যক্তিকো যোগ্য বুলি বিবেচিত হ'ব।

**ক) দায়িত্ব আৰু কৰ্তব্য ঃ**

১। প্ৰধান সম্পাদক অথবা সভাপতিয়ে ন্যস্ত কৰা মহাসভাৰ লগত জড়িত সকলো কাৰ্যই এইসকলৰ বাবে কৰণীয় বুলি গণ্য কৰিব লাগিব।

২। (ক) সাংস্কৃতিক সম্পাদক গৰাকী সত্ৰীয়া সংস্কৃতি সম্পৰ্কে বিশেষ জ্ঞান থকা ব্যক্তি হ'ব লাগিব। লগতে সত্ৰীয়া সাংস্কৃতিক বিদ্যায়তনিক আৰু প্ৰায়োগিক অৰ্হতা থকাটো বাঞ্ছনীয়।

(খ) সাংস্কৃতিক সম্পাদকজনে সাংস্কৃতিক কাৰ্যসূচীৰ আঁচনি আৰু বাজেট তৈয়াৰ কৰিব আৰু কাৰ্যকৰী সমিতিৰ অনুমোদন ল'ব। এনে কাৰ্যসূচী ৰূপায়ণৰ বাবে কাৰ্যনিৰ্বাহকৰ অনুমোদন ক্ৰমে অৰ্থ সংগ্ৰহ আৰু ব্যয় কৰিব পাৰিব। এনে অৰ্থ সংগ্ৰহ আৰু ব্যয়ৰ সম্পূৰ্ণ হিচাপ কোষাধ্যক্ষৰ হাতত দিব। সাংস্কৃতিক সম্পাদকজন সাংস্কৃতিক চৰ্চা কেন্দ্ৰৰো সম্পাদকৰ দায়িত্বত থাকিব আৰু পৰীক্ষা সচিবক সহায় কৰিব।

৩। সাংগঠনিক সম্পাদকসকল বিশেষকৈ মহাসভাৰ সংগঠনৰ কামত দায়বদ্ধ থাকিব।

৪। প্ৰচাৰ আৰু প্ৰকাশন সম্পাদক গৰাকী মহাসভাৰ প্ৰচাৰ কাৰ্য আৰু পত্ৰিকা প্ৰকাশৰ দায়িত্বত নিয়োজিত হ'ব। সংশ্লিষ্ট ব্যক্তিগৰাকী এইক্ষেত্ৰত অৰ্হতা সম্পন্ন হ'ব লাগিব।

৫। এনে বিষয়ববীয়াসকলে ব্যক্তিগত কাৰণত পদত্যাগ কৰিব পাৰিব আৰু পদত্যাগ পত্ৰ সংশ্লিষ্ট ব্যক্তি গৰাকীয়ে প্ৰধান সম্পাদকলৈ নিজ হাতে লিখি প্ৰেৰণ কৰিব লাগিব।

৬। প্ৰয়োজন সাপেক্ষে কাৰ্যকৰী সমিতিয়ে এনে বিষয়ববীয়াসকলক নিজ নিজ পদৰ পৰা অব্যাহতি দিব পাৰিব।

৭। সম্পাদকসকলৰ এজন কেন্দ্ৰীয় কাৰ্যালয়ৰ নিকটৱৰ্তী স্থানৰ পৰা হ'ব লাগিব আৰু বাকীসকল ক্ৰমে উত্তৰ অসম, মধ্য অসম আৰু নামনি অসমৰ পৰা নিৰ্বাচিত হ'ব।

৮। সংগঠনীক সম্পাদকসকল মহাসভাৰ পাঁচোটা সাংগঠনিক গোটৰ পৰা একোজনকৈ নিৰ্বাচিত হ'ব।

৯। কোষাধ্যক্ষজন সাধাৰণতে প্ৰধান সম্পাদকৰ নিকটৱৰ্তী স্থানৰ পৰা নিৰ্বাচিত হোৱাটো বাঞ্চনীয়। কোষাধ্যক্ষজন মহাসভাৰ সকলো পুঁজিৰ দায়িত্বত থাকিব আৰু প্ৰধান সম্পাদকৰ সৈতে যুটীয়া স্বাক্ষৰত সকলো পুঁজি লেনদেন কৰিব। সকলো দেয়ধন বেংকৰ ছেকযোগে প্ৰদান কৰিব আৰু ৫ (পাঁচ) হেজাৰ বা ততোধিক ছেকৰ ক্ষেত্ৰত সভাপতিৰ অনুমোদন ল'ব লাগিব। প্ৰতি তিনিমাহৰ মূৰে মূৰে আয়-ব্যয়ৰ খটিয়ান সভাপতিক অৱগত কৰিব।

১০। মহাসভাই ন্যাস পুঁজি গঠনৰ পৰিকল্পনা ল'লে ন্যাস পুঁজিৰ আহ্বায়ক জনেই উক্ত পুঁজিৰ দায়িত্বত থাকিব। কোনো ব্যক্তিৰ দানেৰে ন্যাস পুঁজি গঠন

কৰিব লগা হ'লে তেনে পুঁজিৰ পৰিচালনা সমিতিৰ আহ্বায়কৰ দায়িত্বত ন্যাস পুঁজিৰ আহ্বায়ক জনেই থাকিব।

## ষষ্ঠ ছেদ ঃ মহাসভাৰ সত্ৰীয়া সংস্কৃতি চৰ্চাকেন্দ্ৰ।। ৬।।

সত্ৰীয়া সংস্কৃতিৰ সংৰক্ষণ, সুৰক্ষা, বিকাশ আৰু গৱেষণাৰ নিমিত্তে মহাসভাৰ এটি সাংস্কৃতিক চৰ্চা কেন্দ্ৰ থাকিব। এই চৰ্চাকেন্দ্ৰৰ মূল কাৰ্যালয় মহাসভাৰ মূল কাৰ্যালয়ৰ লগতে থাকিব যদিও প্ৰয়োজন অনুসাৰে শাখা কাৰ্যালয় স্থাপন কৰিব পাৰিব।

(গঠন আৰু পৰিচালনা সম্পৰ্কে উপবিধি ২ত সন্নিবিষ্ট কৰা হৈছে।)

## সপ্তম ছেদ ঃ মহাসভাৰ পুঁজি।। ৭।।

৭। মহাসভাৰ পুঁজি ৩টা ভাগত ভগোৱা হ'ব ঃ

ক) সাধাৰণ পুঁজি

খ) ন্যাস পুঁজি

গ) সংৰক্ষিত পুঁজি

**(ক) সাধাৰণ পুঁজি ঃ**

১। এই পুঁজি সত্ৰসমূহৰ পৰা পোৱা বৰঙণি আৰু দানৰ ধনেৰে গঠিত হ'ব। এই পুঁজিৰ বাবে প্ৰতি সত্ৰ সভাই ৫০ (পঞ্চাছ) টকা আৰু সদস্য প্ৰতিজনে ১০ (দহ) টকাকৈ বছৰেকীয়া বৰঙণি দিব লাগিব।

২। বাৰ্ষিক বৰঙণি আদায় নকৰা সত্ৰ আৰু সদস্যই সাধাৰণ পৰিষদৰ সভাত পৰিতিনিধিত্ব কৰিব নোৱাৰিব। কিন্তু যি শাখা বা জিলা সভাই মহাসভাৰ সাধাৰণ সভা অৰ্থাৎ বছৰেকীয়া অধিৱেশন অথবা দ্বিবাৰ্ষিক আধিৱেশনৰ বাবে অভ্যাৰ্থনা সমিতি গঠন কৰিব সেই সভাৰ অন্তৰ্ভুক্ত সত্ৰসমূহে সেই বছৰৰ বাবে বাৰ্ষিক বৰঙণি ৰেহাই পাব। ইয়াৰ বাহিৰে হিতৈষী আৰু আজীৱন সদস্যই বাৰ্ষিক বৰঙণিৰপৰা ৰেহাই পাব। অৱশ্যে তেখেতসকলে আগবঢ়োৱা দান-বৰঙণি ধন্যবাদেৰে গ্ৰহণ কৰা হ'ব।

৩। বাৰ্ষিক বৰঙণিৰ এক তৃতীয়াংশ আঞ্চলিক সভাই, এক তৃতীয়াংশ

জিলা সভাই আৰু বাকী এক তৃতীয়াংশ মহাসভাই পাব। যি অঞ্চলত আঞ্চলিক সভা নাই সেই অঞ্চলৰ দুই তৃতীয়াংশই মহাসভাৰ সাধাৰণ পুঁজিত জমা হ'ব।

৪। সেইদৰে সদস্যৰ বৰঙণিৰ এক পঞ্চমাংশ সত্ৰ সভাই; এক পঞ্চমাংশ আঞ্চলিক সভাই; এক পঞ্চমাংশ জিলা সত্ৰ সভাই আৰু দুই পঞ্চমাংশ মহাসভাই পাব। যদি সেই অঞ্চলত আঞ্চলিক সভা নাথাকে তেতিয়া হ'লে আঞ্চলিকৰ অংশটিও মহাসভাৰ সাধৰণ পুঁজিত জমা হ'ব।

৫। মহাসভাৰ কাৰ্যকৰী সমিতিয়েও প্ৰয়োজনবোধে অন্যান্য বৈধ উপায়েৰে সাধাৰণ পুঁজিৰ বাবে দান-বৰঙণি সংগ্ৰহ/ গ্ৰহণ কৰিব পাৰিব।

৬। সংগৃহীত ধন কাৰ্যকৰী সমিতৰ সিদ্ধান্ত অনুসৰি কোনো ৰাষ্ট্ৰীয়কৃত বেংকত ধন সংগ্ৰহৰ তিনিদিনৰ ভিতৰতে জমা ৰাখিব। প্ৰধান সম্পাদক আৰু কোষাধ্যক্ষৰ যুটীয়া স্বাক্ষৰত বেংকৰ লগত লেনদেনো চলিব। কিন্তু ৫০০০ (পাঁচ হাজাৰ) টকা বা তদুৰ্দ্ধ খৰচৰ বাবে সভাপতিৰ অনুমোদন লাগিব। অৱশ্যে এনে খৰচৰ ক্ষেত্ৰত পৰৱৰ্ত্তী কাৰ্য নিৰ্ব্বাহক সভাৰো অনুমোদন লাভ কৰিব লাগিব।

**(খ) ন্যাস পুঁজি ঃ**

১। কোনো সদাশয় ব্যক্তিৰপৰা ন্যাস পুঁজিলৈ সংগৃহীত ধনৰাশি পঞ্জীভূত দলিলৰ চৰ্ত অনুসৰি ৰাষ্ট্ৰীয়কৃত বেংকত স্থায়ী পুঁজি হিচাপে জমা থাকিব।

২। ন্যাস পুঁজিৰ ধনৰাশি কোনো অন্য কামতে খৰচ নহ'ব। প্ৰয়োজনবোধে কেৱল সংশ্লিষ্ট ন্যাসৰ কাম-কাজৰ বাবে তাৰ পৰা পোৱা সুদ আদি কাৰ্যকৰী সমিতিৰ অনুমতি সাপেক্ষে খৰচ কৰিব।

**(গ) সংৰক্ষিত পুঁজি ঃ**

মহাসভাৰ হিতৈষী আৰু আজীৱন সদস্যৰ বৰঙণিৰ ৫০ শতাংশ ধন মহাসভাৰ বিলুপ্তি (ভগবানে নকৰক) নঘটা পৰ্যন্ত কোনো কাৰণতে উলিয়াব নোৱাৰিব। এই ধন কোনো ৰাষ্ট্ৰীয়কৃত বেংকত জমা ৰাখিব। বাকী ৫০ শতাংশ সাধাৰণ পুঁজিত জমা কৰা হ'ব আৰু সাধাৰণ পুঁজিৰ ধনৰাশি য'ত খৰচ কৰে বা যেনেদৰে খৰচ কৰে সেইমতে কৰিব।

## অষ্টম ছেদ ঃ বিশেষ সদস্য।। ৮।।

মহাসভাৰ সাধাৰণ সদস্যসকলৰ উপৰিও তলত দিয়া দুইবিধ সদস্য থাকিবঃ

### ৮.১ হিতৈষী সদস্য ঃ

মহাসভাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি ইয়াৰ নীতি-নিয়ম মানি চলাৰ প্ৰতিশ্ৰুতিৰে নিৰ্দিষ্ট প্ৰপত্ৰ পূৰণ কৰি ৫০০০ (পাঁচ হেজাৰ) টকা অথবা ততোধিক এককালীন বৰঙণি আদায় দি কাৰ্যকৰী সমিতিৰ স্বীকৃতি লাভ কৰা সকলো ব্যক্তিকে হিতৈষী সদস্য হিচাপে গণ্য কৰা হ'ব। এনে সদস্যই মহাসভাৰ বাৰ্ষিক বৰঙণি দিয়াৰপৰা ৰেহাই পাব।

### ৮.২ আজীৱন সদস্য ঃ

মহাসভাৰ নিয়মাৱলী মানি চলাৰ প্ৰতিশ্ৰুতিৰে নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি কোনো ব্যক্তিয়ে এককালিন ৫০০ (পাঁচশ) টকা দি আবেদন কৰিলে যদি কাৰ্যকৰী সভাই অনুমোদন কৰে তেন্তে সেই ব্যক্তিজন মহাসভাৰ আজীৱন সদস্য হ'ব। হিতৈষী সদস্যসকলৰ নিচিনাকৈ আজীৱন সদস্যয়ো বছৰেকীয়া বৰঙণি দিব নালাগে। অৱশ্যে দান হিচাপে আগবঢ়ালে ধন্যবাদেৰে গ্ৰহণ কৰা হ'ব।

আজীৱন সদস্য বৰঙণিৰ ৭০ শতাংশ ধন মহাসভাৰ পুঁজিত জমা হ'ব। বাকী ১০ শতাংশ আজীৱন সভ্য ভৰ্তি কৰোঁতাজনে, ১০ শতাংশ আঞ্চলিক সত্ৰ সভা আৰু ১০ শতাংশ জিলা সত্ৰ সভাৰ পুঁজিত জমা হ'ব।

## নৱম ছেদ ঃ বিশেষ সমিতি।। ৯।।

প্ৰয়োজনবোধে মহাসভাই তলত দিয়া ধৰণে কিছু সংখ্যক বিশেষ সমিতি গঠন কৰিব পাৰে। যদি কিবা বিশেষ উপলক্ষ্য লৈ এনে সমিতি গঠন কৰি দিয়া হয়, তেন্তে সেই উপলক্ষ্যৰ সমাধান হোৱাৰ পাছত তেনে সমিতি ভংগ কৰিব পাৰিব। এনে সমিতিসমূহ হ'ল ঃ

ক) কৰ্ণধাৰ সমিতি

খ) ন্যাস-পুঁজি সমিতি

গ) উপসমিতি

**ক) কৰ্ণধাৰ সমিতি ঃ**

মহাসভাৰ বিশেষ জৰুৰী সিদ্ধান্তগ্ৰহণৰ বাবে এখন কৰ্ণধাৰ সমিতি থাকিব। এই সমিতিৰ গঠন আৰু কৰণীয় নিম্নোক্ত ধৰণে হ'ব —

১। কাৰ্যকৰী সভাই দ্বিবাৰ্ষিক কাৰ্যকালৰ প্ৰথমখন বৈঠকত সভাপতি, কাৰ্যকৰী সভাপতি আৰু প্ৰধান সম্পাদকৰ অন্তৰ্ভুক্তিৰে কাৰ্যকৰী সভাৰ সদস্যসকলৰ পৰা এখন ৯ জনীয়া সভ্যৰ কৰ্ণধাৰ সমিতি গঠন কৰি দিব।

২। কৰ্ণধাৰ সমিতিৰ বৈঠকত মহাসভাৰ সভাপতি বা তেৰাৰ অৱৰ্ত্তমানত কাৰ্যকৰী সভাপতিয়ে সভাপতিত্ব কৰিব।

৩। প্ৰধান সম্পাদকগৰাকী কৰ্ণধাৰ সমিতিৰ আহ্বায়ক হ'ব আৰু বিশেষ বিষয়ৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি সভাপতিৰ লগত পৰামৰ্শ কৰি নুন্যতম সাতদিন সময়ৰ ব্যৱধানত কৰ্ণধাৰ সমিতিৰ বৈঠক আহ্বান কৰিব পাৰিব।

৪। নিম্নতম ৫জন সদস্যৰ উপস্থিতিত কৰ্ণধাৰ সমিতিৰ বৈঠকৰ থুল হ'ব আৰু সিদ্ধান্তসমূহ তৎকালেই কাৰ্যকৰী কৰিব পাৰিব।

৫। কৰ্ণধাৰ সমিতি, কাৰ্যকৰী সমিতিৰ ওচৰত দায়বদ্ধ থাকিব আৰু কৰ্ণধাৰ সমিতিয়ে গ্ৰহণ কৰা প্ৰতিটো সিদ্ধান্ত পৰৱৰ্ত্তী কাৰ্যকৰী সভাত অনুমোদন ল'ব লাগিব।

৬। বিশেষ পৰিস্থিতি তথা জৰুৰী প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি কোনো বিশেষ লোকক (কাৰ্যকৰী সভাৰ সদস্য নহ'লেও) কৰ্ণধাৰ সমিতিৰ সভালৈ বিশেষ নিমন্ত্ৰীত কৰিব পাৰিব।

৭। প্ৰয়োজন সাপেক্ষে মহাসভাৰ অন্তৰ্গত অন্যান্য সংগঠন সমূহেও তদানুৰূপ কৰ্ণধাৰ সমিতি গঠন কৰিব পাৰিব।

৮। এই সমিতি গঠন কৰি দিয়া কাৰ্যকৰী সমিতিৰ কাৰ্যকাল অন্ত পৰাৰ লগে লগে কৰ্ণধাৰ সমিতিও নিজে নিজেই ভঙ্গ হৈ যাব।

**খ) ন্যাস-পুঁজি সমিতি ঃ**

মহাসভাই কোনো ব্যক্তি বা বিষয় সম্পৰ্কে কোনো ধৰণৰ ন্যাস পুঁজি গঠন কৰিলে সেই ন্যাসৰ কাম-কাজ চলাবৰ বাবে সভাপতি, প্ৰধান সম্পাদক, কোষাধ্যক্ষ আৰু চাৰিজন সদস্যৰে ন্যাস পুঁজি সমিতি গঠন কৰিব। মহাসভাৰ ন্যাস পুঁজিৰ আহ্বায়কজনেই প্ৰতিখন ন্যাস পুঁজি সমিতিৰ আহ্বায়ক হ'ব।

কিবা কাৰণত কোনো ন্যাসৰ বিলুপ্তি ঘটিলে সংশ্লিষ্ট সমিতিখনৰো বিলুপ্তি ঘটিব। ন্যাস পুঁজিৰ দাতা বা তেখেতৰ প্ৰতিনিধিক সংশ্লিষ্ট ন্যাস পুঁজি সমিতিৰ দাতা সদস্যৰূপে অন্তৰ্ভুক্ত হ'ব।

**গ) উপ সমিতি ঃ**

প্ৰয়োজনবোধে মহাসভাৰ কাৰ্যকৰীসমিতিয়ে কোনো এটা নিৰ্দিষ্ট কাৰ্য সম্পাদনাৰ বাবে একোখনকৈ উপ-সমিতি গঠন কৰিব। এনে উপ-সমিতিত কাৰ্যকৰী সভাপতি, প্ৰধান সম্পাদক, কোষাধ্যক্ষ আৰু চাৰিজন/ছজন সদস্য থাকিব। উপ-সমিতিৰ নিৰ্দিষ্ট কাৰ্য সম্পূৰ্ণ হ'লে মহাসভাৰ কাৰ্যকৰী সভাৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব।

কাৰ্যকৰী সমিতিয়ে নিজে নাইবা উপ-সমিতিৰ জৰিয়তে উপ-সমিতিৰ কামৰ বাবে পুঁজি যোগাৰ কৰিব। ইয়াৰ সকলো আয়-ব্যয়ৰ বাবে কোষাধ্যক্ষজন দায়বদ্ধ হ'ব। প্ৰধান সম্পাদক সকলো উপসমিতিৰে আহ্বায়ক হ'ব।

যি কামৰ বাবে উপসমিতি গঠন কৰা হ'ব, সেই কাম সম্পূৰ্ণ হ'লে সংশ্লিষ্ট উপ-সমিতিখন ভঙ্গ হ'ব।

## <u>দশম ছেদ ঃ ভ্ৰমণ বানচ।। ১০।।</u>

মহাসভাৰ পুঁজিৰ স্বচ্ছলতাৰ ওপৰত নিৰ্ভৰ কৰি মহাসভাৰ সাংগঠনিক কাৰ্যত নিয়োজিতসকলক নিম্নতম ভ্ৰমণ বানচ দিয়াৰ ব্যৱস্থা থাকিব।

ক) সাধৰণ পৰিষদৰ সভা, কাৰ্যনিৰ্ব্বাহকৰ সভা, কৰ্ণধাৰ সমিতিৰ সভা, উপ-সমিতিৰ সভা, ন্যাস সমিতিৰ সভা আদিত যোগদানৰ উদ্দেশ্যে যাতায়তী কৰা মহাসভাৰ বিষয়ববীয়া, কাৰ্যকৰী সমিতিৰ সদস্য/সদস্যা বা অন্যান্য উল্লেখিত সমিতিৰ সদস্যসকলৰ নিম্নতম ভ্ৰমণ বানচ সংশ্লিষ্ট মূল সমিতিয়ে বহন কৰিব। ইয়াৰ বাবে সংশ্লিষ্ট সমিতিয়ে ভ্ৰমণ বানচৰ প্ৰ-পত্ৰ যুগুত কৰি ল'ব।

খ) মহাসভাৰ বিষয়ববীয়াসকলে মহাসভাৰ সাংগঠনিক কাৰ্যত ৰাজ্যখনৰ যিকোনো সত্ৰীয়া অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ বাবে হোৱা নিম্নতম যাতায়তী খৰচ মহাসভাৰ কাৰ্যকৰী সভাৰ অনুমোদন সাপেক্ষে মহাসভাৰ পুঁজিৰপৰা ব্যয়

হ'ব। অৱশ্যে সংশিষ্ট পদাধিকাৰসকলে এই ক্ষেত্ৰত সভাপতিৰপৰা আগতীয়া অনুমোদন লোৱাটো বাঞ্চনীয়।

গ) মহাসভাৰ সভাপতি আৰু প্ৰধান সম্পাদকে মহাসভাৰ সাংগঠনিক কাৰ্যত মহাসভাৰ পদাধিকাৰ স্বৰূপে ৰাজ্যখনৰ ভিতৰে বাহিৰে কৰা ভ্ৰমনৰ বাবে হোৱা খৰচ মহাসভাৰ পুঁজিৰ পৰা ব্যয় হ'ব। অৱশ্যে নিমন্ত্ৰিত হিচাপে তেনে অনুষ্ঠানত যোগদান কৰিলে নিমন্ত্ৰণ জনোৱা সেই সেই অনুষ্ঠানে মহাসভাৰ পদাধিকাৰ দুগৰাকীৰ যাতায়তী ব্যয় বহন কৰাটো বাঞ্চনীয়।

## একাদশ ছেদ ঃ বিবিধ ।। ১১।।

১১.০ মহাসভাৰ পঞ্জীয়ন নম্বৰকে জিলা সত্ৰ সভা, বহিঃ ৰাজ্যিক কিম্বা আন্তঃৰাজ্যিক শাখা সত্ৰ সভা, আঞ্চলিক সত্ৰ সভা আৰু সমন্বিত যুৱ-তীৰ্থই ব্যৱহাৰ কৰিব। এই সভাসমূহে নিজাকৈ পঞ্জীয়নভুক্ত হ'ব নালাগে।

১১.১ কোনো কাৰণত জিলা সভা, আঞ্চলিক সভা, যুৱ-তীৰ্থ, বহিঃ ৰাজ্যিক কিম্বা আন্তঃৰাজ্যিক শাখা সত্ৰ সভা আদি বিলুপ্তি হ'লে সেইসমূহৰ যদি কোনো স্থাৱৰ-অস্থাৱৰ সম্পত্তি থাকে, সেই সকলোবোৰ মহাসভাৰ সম্পত্তিৰূপে পৰিগণিত হ'ব।

মহাসভা যদি দুৰ্ভাগ্যবশতঃ বিলুপ্তি হ'ব লগা হয় তেতিয়া হ'লে ইয়াৰ স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তি বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিনিয়োগ কৰিব। এনে ক্ষেত্ৰত সকলো ব্যৱস্থা সমিতি পঞ্জীয়ন আইনৰ ১৩ আৰু ১৪ নং ধাৰা প্ৰযোজ্য হ'ব।

১১.২ হিতৈষী আৰু আজীৱন সদস্য সদস্য হ'বৰ বাবে আবেদনৰ আৰ্হিঃ

**প্ৰতি,**

**অসম সত্ৰ মহাসভাৰ**

**মাননীয় সভাপতি প্ৰভু**

শ্ৰদ্ধাভাজনেষু,

সেৱা গ্ৰহণ কৰিব। মই মহাসভাৰ হিতৈষী/আজীৱন সদস্য হ'বলৈ মানস কৰিছোঁ। এই পত্ৰৰ জৰিয়তে ঘোষণা কৰোঁ যে মহাসভাৰ নীতি-নিৰ্দেশনা নিষ্ঠা

সহকাৰে মই পালন কৰিম। তলত মোৰ জীৱন পঞ্জী দিলোঁ। আশাকৰোঁ মোক উক্ত সদস্যপদ গ্ৰহণৰ সুবিধা দিয়ে যেন।

আপোনাৰ বিশ্বাসী

.............................................

তাং ........................

১। নামঃ ...............................................................

২। পিতা/স্বামীৰ নামঃ ...............................................................

৩। জন্মস্থানঃ সাং .............................. ডাকঘৰঃ ..............................

জিলাঃ .............................. ফোন নংঃ ..............................

৪। বয়সঃ ...............................................................

৫। সত্ৰানুষ্ঠানৰ লগত কিভাৱে জড়িতঃ ..............................

৬। বৰঙণিৰ পৰিমাণঃ .............................................................. টকা

৭। বৰ্তমানৰ ঠিকনাঃ ...............................................................

৮। জীৱিকাঃ ...............................................................

৯। অন্যান্যঃ ...............................................................

.............................................

আবেদকৰ চহী

তাং ........................

**১১.৩ মহাসভাৰ পতাকা বা ধ্বজাঃ**

ক) অসমীয়া পাট কাপোৰেৰে ধ্বজাখন তৈয়াৰ কৰিব। কাপোৰৰ জোখ ৩'×২' আৰ্হিৰ হ'ব।

খ) ধ্বজাখনৰ সোঁমাজতে (ওপৰঞ্চি 'ঙ'ত দিয়া) দিয়া প্ৰতীকটো উজ্জ্বল হেঙুলীয়া ৰঙেৰে অঁকা থাকিব লাগিব।

**১১.৪ ধ্বজা উত্তোলনৰ নিয়মঃ**

ক) মহাসভাৰ বাৰ্ষিক/দ্বিবাৰ্ষিক অধিৱেশন অথবা বিশেষ আধিৱেশত

বা কেন্দ্ৰীয় অনুষ্ঠানত ধ্বজা উত্তোলন কৰিব।

খ) সত্ৰ সভা, আঞ্চলিক সত্ৰ সভা, জিলা সত্ৰ সভা আৰু শাখা সত্ৰ সভাৰ অধিৱেশনবিলাকতো ধ্বজা উত্তোলন কৰিব পাৰিব।

গ) ধ্বজা উত্তোলনৰ সময় পুৱা ৮ বজাৰ পৰা ৯ বজাৰ ভিতৰত। আবেলি সূৰ্য অস্ত যোৱাৰ লগে লগে ধ্বজা নমাই ৰাখিব লাগিব।

ঘ) ধ্বজা উত্তোলন কৰিব সভাপতিয়ে তেখেতৰ অনুপস্থিতিত, তেখেতে আজ্ঞা দিয়া যিকোনো ব্যক্তিয়ে সেই কাম কৰিব। অৱশ্যে কাৰ্যকৰী সভাপতি উপস্থিত থাকিলে এনে অৱস্থাত তেখেতেই ধ্বজা উত্তোলন কৰিব।

ঙ) উত্তোলনৰ লগে লগে খোল, তাল, ডবা, কাঁহ, শংখ বাজি উঠিব; সকলোৱে প্ৰণাম জনাব।

চ) উত্তোলন কৰি নাভীবন্ধন কৰাৰ লগে লগে ভাগৱতৰ মঙ্গলাচৰণৰ একাংশ সুৰাৰোপিত কৰি পৰিবেশন কৰিব।

ছ) ধ্বজা উত্তোলনৰ পিছত উত্তোলকে চমু ভাষণ প্ৰদান কৰিব।

জ) অধিৱেশন এদিনতকৈ অধিক দিনৰ বাবে হ'লে ধ্বজাখন পুনৰ প্ৰতি পুৱাতে সেই স্থানতে কোনো বিষয়ববীয়াই উঠাই ৰাখিব আৰু বেলি বহাৰ লগে লগে নমাই থ'ব।

ঝ) ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰোঁতে যিবোৰ নীতি নিৰ্দেশনা মনা হয় তদ্ৰুপ নীতি মহাসভাৰ ধ্বজাৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।

ঞ) অধিৱেশন চলি থকা দিনকেইটাত মহাসভাৰ সকলো বিষয়ববীয়াই পতাকা নিজ নিজ গাড়ীত (ধ্বজাৰ সৰু সংস্কৰণ) ব্যৱহাৰ কৰিব। কিন্তু অধিৱেশন চলি নাথাকিলে কেৱল সভাপতি, কাৰ্যকৰী সভাপতি, উপ-সভাপতিসকল আৰু প্ৰধান সম্পাদকে গাড়ীত এই ধ্বজা ব্যৱহাৰ কৰিব পাৰিব।

ট) সভাৰ বিশেষ কাৰ্যত তথা শুভেচ্ছামূলক ভ্ৰমণ আদিত প্ৰধান সম্পাদকৰ অনুমতি সাপেক্ষে ধ্বজা ব্যৱহাৰ কৰিব।

ঠ) মহাসভাৰ অন্তৰ্ভুক্ত যিকোনো সংগঠনৰ অধিৱেশন বহিলে সভাপতি আৰু সম্পাদকে নিজ গাড়ীত ধ্বজা ব্যৱহাৰ কৰিব আৰু সেই সভাসমূহৰ মুকলি অধিৱেশনত ওপৰত দিয়া নিয়মেৰে ধ্বজা উত্তোলন কৰিব।

ড) মহাসভাৰ বিষয়ববীয়াসকলৰ দেহাৱসান ঘটিলে সভাৰ কাৰ্যালয়ত ধ্বজা অৰ্ধনমিত কৰি ৰাখিব। এইক্ষেত্ৰত চলিত কাৰ্যকালৰ বিষয়ববীয়া হ'লে

এসপ্তাহৰ বাবে আৰু প্ৰাক্তনসকলৰ বাবে তিনিদিনৰ বাবে ধ্বজা অৰ্ধনমিত কৰি ৰাখিব।

ঢ) স্মৃতিসভা, আলোচনাচক্ৰ আদিত ধ্বজাৰ ব্যৱহাৰ নাথাকিব।

ণ) মহাসভাৰ সভাপতি, কাৰ্যকৰী সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ দেহাৱসান হ'লে মহাসভাৰ ধ্বজাখনেৰে শৱদেহ আবৃত কৰি ৰাখি কাঠ সংস্কাৰ কৰাৰ আগতে মৃতদেহৰপৰা আঁতৰাই থ'ব। সেই অনুক্ৰমে মহাসভাৰ অন্যান্য সংগঠনৰ সভাপতি, কাৰ্যকৰী সভাপতি, উপ-সভাপতি আৰু সম্পাদক স্বৰ্গী হ'লেও তেওঁলোকৰ শৱদেহ ধ্বজাৰে আবৃত কৰিব আৰু কাঠ সংস্কাৰৰ সময়ত আঁতৰাই দিব।

ত) তদনুৰূপ কোনো মহাসভাৰ সদস্য সত্ৰাধিকাৰ স্বৰ্গী হ'লেও তেখেতৰ শৱদেহ ধ্বজাৰে আবৃত কৰিব আৰু কাঠ সংস্কাৰৰ আগে আগে আঁতৰ কৰি ৰাখিব। কোনো কাৰণতে আৰু কোনো সময়তে ধ্বজাত অগ্নি সংযোগ নকৰিব অথবা অশুচি স্থানলৈ নিক্ষেপ নকৰিব।

**১১.৫ সভাৰ আৰম্ভণী গীত ঃ**

মহাসভাৰ উপৰিও জিলা, আঞ্চলিক, বিভিন্ন সত্ৰ সভা, সমন্বিত যুৱ-তীৰ্থআদি সংগঠনৰ যিকোনো বৈঠক মহাপুৰুষ মাধৱদেৱ গুৰুজনাৰ নিম্ন উল্লেখিত ঘোষা ভাগেৰে আৰম্ভ কৰিব।

ব্ৰহ্মা আদি কৰি জীৱ য'ত ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া সজ্জা মাজে আচয় ঘুমতি যাই।
তুমিসে চৈতন্য সনাতন ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন নিয়োক নাথ জগাই।।

**১১.৬ সভাৰ সামৰণি গীত ঃ**

মহাসভা, জিলা সত্ৰসভা, আঞ্চলিক সত্ৰসভা আৰু শাখা সত্ৰসভা আদি সংগঠনৰ যিকোনো বৈঠকত সভাপতিয়ে সভাৰ সামৰণি ঘোষণা কৰাৰ লগে লগে সমস্বৰে নাম ঘোষাৰ নিম্ন উল্লেখিত পদ ভাগ গাব—

অপৰাধ বিনাশন তযু নাম নাৰায়ণ
জানি নামে পশিলো শৰণে,

আনগতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দায়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে।।

**১১.৭ মহাসভা আৰু অন্যান্য সভালৈ বিশিষ্ট ব্যক্তি নিমন্ত্ৰণ ঃ**

প্ৰয়োজনবোধে বাৰ্ষিক, দ্বি-বাৰ্ষিক, বিশেষ অধিৱেশন আদি সকলো অনুষ্ঠানতে বিশেষ বিশেষ কাৰ্যসূচীলৈ মহাসভাৰ সদস্য নহ'লেও কোনো বিশিষ্ট ব্যক্তিক অতিথি হিচাপে আমন্ত্ৰণ কৰোঁতে তলত দিয়া কথাকেইটাৰ প্ৰতি মনোযোগ দিব ঃ

১) ব্যক্তিজন সত্ৰ, সত্ৰীয়া সংস্কৃতি অথবা পৰম্পৰা আৰু বৈষ্ণৱ সাহিত্য তথা বৈষ্ণৱতত্ব আদিৰ জ্ঞান সম্পন্ন হ'ব লাগিব।

২) মহাসভাৰ প্ৰাক্তন বিষয়ববীয়া হ'লে সুবিধা।

৩) পৰাপক্ষত ৰাজনৈতিক দলৰ প্ৰবক্তা বা নেতা নিৰ্বাচন নকৰাই শ্ৰেয়।

৪) ব্যক্তিজন যাতে মহাসভাৰ নীতি-নিয়মৰ বিৰোধী নহয় তাৰ প্ৰতিও লক্ষ্য ৰখা কৰ্তব্য; কাৰণ তেনে ব্যক্তিৰ বক্তব্যই সদস্যসকলক ক্ষুণ্ণ কৰিব পাৰে।

৫) ব্যক্তিজন জ্ঞানবান-চৰিত্ৰবান হোৱাৰ উপৰিও মহাসভালৈ মুক্তহস্তে দান আগবঢ়োৱা ব্যক্তি হোৱাটো বাঞ্চনীয়।

**১১.৮ জিলা সভা/আঞ্চলিক কিম্বা যিকোনো সত্ৰ সভাৰ বছৰেকীয়া প্ৰতিবেদন ঃ**

প্ৰতি বছৰে জিলা/আঞ্চলিক সভা/অন্যান্য সত্ৰ সভাৰ প্ৰতিবেদনত সভা আদিৰ কাম-কাজৰ উপৰিও তলত দিয়া বিষয়কেইটা সন্নিবিষ্ট হ'ব লাগিব ঃ

১) জিলা/অঞ্চলৰ নাম।

২) সন্মিলিত হোৱা সত্ৰৰ সংখ্যা।

৩) সদস্য সংখ্যা।

৪) সভাখন প্ৰতিষ্ঠাৰ তাৰিখ।

৫) সভাপতি/কাৰ্যকৰী সভাপতি/উপ-সভাপতি/ সম্পাদক আৰু সদস্যসকলৰ নাম ঠিকনা।

৬) বছৰটোৰ কাম-কাজৰ খতিয়ান।

## ১১.৯ মহাসভাৰ নিয়মাৱলী সংশোধন ঃ

আৱশ্যকবোধে অথবা প্ৰয়োজন হ'লে নিয়মাৱলী সংশোধন কৰিব পৰা যাব। সংশোধন প্ৰস্তাৱ সত্ৰ সভা, আঞ্চলিক সভা অথবা জিলা সভাৰপৰা লিখিত ৰূপে বাৰ্ষিক অথবা দ্বি-বাৰ্ষিক অধিৱেশনৰ অন্ততঃ তিনিমাহ পূৰ্বে কেন্দ্ৰীয় কাৰ্যালয় নাইবা প্ৰধান সম্পাদকৰ হাতত দাখিল কৰিব লাগিব। অৱশ্যে সদস্যসকলেও ব্যক্তিগতভাৱে এনে সংশোধনৰ প্ৰস্তাৱ আনিব পাৰিব। মহাসভাৰ কাৰ্যকৰী সমিতিয়ে সকলো প্ৰস্তাৱ জুকিয়াই অধিৱেশনৰ প্ৰতিনিধি সভাত উত্থাপন কৰিব। এনে প্ৰস্তাৱ প্ৰতিনিধি সভাত দুই তৃতীয়াংশ সদস্যৰ সমৰ্থনত গৃহীত হ'ব লাগিব। নূন্যতম প্ৰতি দুটা কাৰ্যকালৰ ব্যৱধানতহে নিয়মাৱলী সংশোধন হোৱাটো বাঞ্চনীয়। গৃহীত হোৱাৰ পিছত সংশোধন নিয়মাৱলীৰ অন্তৰ্ভুক্ত কৰিব আৰু লগতে সংশোধনটিৰ বিষয়ে ৰাজহুৱাভাৱে সকলো জিলা/আঞ্চলিক/সত্ৰ সভালৈ প্ৰেৰণ কৰিব।

### ওপৰঞ্চি ।।ক।।

বৰ্তমানৰ সত্ৰ মহাসভা পোনপ্ৰথমে 'অসম সন্ত সন্মিলনী' নামে ১৯১৫ চন/৪৬৭ শঙ্কৰাব্দৰ ব'হাগ মাহত গঠিত হৈছিল। পিছত সৰ্বসন্মতিক্ৰমে ১৯৪৮ চন/৫০০ শঙ্কৰাব্দত এই সন্মিলনীৰ নাম 'অসম সত্ৰ সংঘ' আৰু তাৰ পিছত ১৯৯০ চন/৫৪২ শঙ্কৰাব্দত এই সভাৰ নাম অসম সত্ৰ মহাসভা ৰখা হয়। গতিকে অনুষ্ঠানটিৰ নামৰ পৰিৱৰ্তন হ'লেও ১৯১৫ চন/৪৬৭ শঙ্কৰাব্দৰ ব'হাগ মাহকেই অসম সত্ৰ মহাসভাৰ প্ৰতিষ্ঠা মাসিক দিৱস হিচাপে গণ্য কৰা হৈছে।

### ওপৰঞ্চি ।। খ ।।

অসম সত্ৰ মহাসভা নীতি অনুসাৰে সমিতি পঞ্জীয়ন আইন ২১/১৮৬০১ মতে পঞ্জীকৃত। পঞ্জীয়ন নং- ৪৮৭/১৯৭৫-৭৬। সকলো জিলা/আঞ্চলিক/সত্ৰ সভা এই পঞ্জীয়নৰ অন্তৰ্ভুক্ত; গতিকে সেইসমূহে নিজাকৈ কোনো পঞ্জীয়ন কৰিব নালাগে।

### ওপৰঞ্চি ।। গ।।

১) মহাসভাৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাট নগৰত অৱস্থিত।

ঠিকনা ঃ- অসম সত্ৰ মহাসভা কেন্দ্ৰীয় কাৰ্যালয়
ৰজাবাৰী, যোৰহাট - ৭৮৫০১৪
জিলা- যোৰহাট (অসম)

২) কেন্দ্ৰীয় কাৰ্যালয়ৰ লগতে মহাসভাৰ কেন্দ্ৰীয় নামঘৰ, কলাভৱন, পুথিভঁৰাল, সংগ্ৰহালয়/আৰ্কাইভ আৰু আলহী ঘৰ থাকিব।

৩) অসমৰ প্ৰাণকেন্দ্ৰ গুৱাহাটী নগৰতো এটি কেন্দ্ৰীয় উপ-কাৰ্যালয়, (অনুৰূপ নামঘৰ, পুথিভঁৰাল আদি সন্নিবিষ্ট) থাকিব।

## ওপৰঞ্চি ।। ঘ।।

**মহাসভাৰ সভাপতি পদৰ বাবে নাম প্ৰস্তাৱ ঃ**

প্ৰতি জিলা/আঞ্চলিক সত্ৰ সভা/ শাখা সত্ৰ সভাই সভাপতি পদৰ বাবে নাম প্ৰস্তাৱ কৰিব পাৰিব। এনে প্ৰস্তাৱ সংশ্লিষ্ট প্ৰাৰ্থীৰ সন্মতি পত্ৰসহ দ্বি-বাৰ্ষিক অধিৱেশনৰ ৬ মাহ পূৰ্বে চীল-মোহৰ মাৰি প্ৰধান সম্পাদকৰ নামত কেন্দ্ৰীয় কাৰ্যালয়লৈ পঠাব লাগিব।

**মহাসভাৰ সভাপতি পদৰ বাবে নাম প্ৰস্তাৱৰ প্ৰ-পত্ৰ ঃ**

অসম সত্ৰ মহাসভাৰ আগন্তুক দ্বিবাৰ্ষিক কাৰ্যকালৰ সভাপতি পদৰ বাবে নাম প্ৰস্তাৱ ঃ

ক) প্ৰস্তাৱিত নাম ঃ
খ) বয়স ঃ
গ) জন্মস্থান ঃ
ঘ) পিতৃ/মাতৃৰ নাম ঃ
ঙ) স্থায়ী ঠিকনা ঃ
চ) বিদ্যায়তনিক অৰ্হতা ঃ
ছ) সত্ৰ পৰম্পৰা মতে কোন সত্ৰৰ সত্ৰাধিকাৰ পদত অধিষ্ঠিত ঃ
জ) মহাসভাৰ লগত কেতিয়াৰপৰা কিভাৱে জড়িত ঃ
ঝ) অন্যান্য বিশেষ তথ্য (যদি থাকে) ঃ

........................জিলা/আঞ্চলিক সত্ৰ সভা/শাখা সত্ৰ সভাৰ

................................. তাৰিখে অনুষ্ঠিত কাৰ্যকৰী সমিতিৰ সিদ্ধান্ত ক্ৰমে ওপৰত উল্লেখিত নামৰ প্ৰস্তাৱ কৰা হ'ল।

| | |
|---|---|
| ........................... | .................................. |
| সভাপতি (সম্পূৰ্ণ নামৰ চহী) | সম্পাদক (সম্পূৰ্ণ নামৰ চহী) |
| ...........জিলা/আঞ্চলিক সত্ৰ সভা | ............জিলা/আঞ্চলিক সত্ৰ সভা |
| তাং ................................ | তাং ................................ |

## ওপৰঞ্চি ।। ৬।।

**মহাসভাৰ প্ৰতীকৰ ব্যাখ্যা ঃ**

১। একেবাৰে তল অংশত আছে চাৰিগছি বন্তি, যি গুৰু, দেৱ, নাম, ভকতৰ প্ৰতীক;

২। তাৰ মাজত বায়নৰ ভঙ্গীমা, যি সত্ৰীয়া সংস্কৃতিৰ প্ৰতীক;

৩। বায়নৰ শিৰৰ ওপৰত নগছ বন্তিৰে অগ্নিগড়, যি নৱবিধ ভক্তিৰ প্ৰতীক;

৪। দুয়োফালে দুটি চক্ৰ, যি গতিশীলতা, সংস্কাৰ আৰু প্ৰগতিৰ প্ৰতীক;

৫। সোঁ মাজত এখনি ঢকা শৰাই; যি নামাঘৰত শ্ৰীমদ্ভাগৱত স্থাপন কৰাৰ প্ৰতীক; আৰু

৬। প্ৰতীকৰ ৰং দিয়া হৈছে উজ্জ্বল হেঙুলীয়া, এই ৰং শান্তি আৰু মৈত্ৰীৰ প্ৰতীক; আৰু

৭। অসমীয়াৰ চিৰ চেনেহৰ পাট কাপোৰত ধ্বজাখন বনোৱা হৈছে; ই অসমীয়াৰ একতাৰ প্ৰতীক।

বিঃ দ্ৰঃ- সত্ৰ সভাকে আদি কৰি মহাসভা পৰ্যন্ত সকলোৱে অধিৱেশনত এই ধ্বজা ব্যৱহাৰ কৰিব। তদুপৰি মহাসভাৰ প্ৰতীক সকলো স্বীকৃতিপ্ৰাপ্ত সভাই নিজৰ গোহাৰি, চিঠি, পেদ, ৰচিদ বহী, নামফলক আৰু বেনাৰ আদিত ব্যৱহাৰ কৰিব।

## উপবিধি -১

**সমন্বিত যুৱ-তীৰ্থৰ গঠন আৰু কাৰ্যপ্ৰণালী ঃ**

১। মহাসভাৰ সমন্বিত যুৱ-তীৰ্থ অনুষ্ঠানৰ তিনি পৰ্যায়ৰ সংগঠন থাকিব—

আঞ্চলিক সমিতি, জিলা সমিতি আৰু ৰাজ্যিক সমিতি। পৰৱৰ্তী স্তৰত সমন্বিত যুৱ-তীৰ্থক যুৱ-তীৰ্থ নামেৰেই প্ৰকাশিত হ'ব।

২। প্ৰাৰম্ভিক স্তৰত অসম সত্ৰ মহাসভাৰ কেন্দ্ৰীয় সমিতিয়ে নিয়মাৱলীৰ আধাৰত যুৱ-তীৰ্থৰ গঠন সম্পৰ্কে প্ৰতিখন জিলা সত্ৰ সভালৈ নীতি-নিৰ্দ্দেশনা প্ৰেৰণ কৰিব।

৩। আঞ্চলিক সত্ৰ সভাৰ একোটা এলেকাই যুৱ-তীৰ্থৰ আঞ্চলিক সমিতিৰ এলেকা হ'ব। একে কথাই জিলা যুৱ-তীৰ্থ সমিতিৰ ক্ষেত্ৰটো খাটিব।

৪। আঞ্চলিক সত্ৰ মহাসভাৰ উদ্যোগত সেই সেই এলেকাধীন অঞ্চলৰ ৪০ বছৰ বয়সৰ অনুৰ্দ্ধৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল যুৱক-যুৱতীসকলক আহ্বান কৰি আনুষ্ঠিত কৰা সভাত 'যুৱ-তীৰ্থ-আঞ্চলিক সমিতি' গঠন কল্পে এখন ১১ জনীয়া সমিতি নিৰ্ব্বাচন কৰিব। উক্ত সমিতিত এজন সভাপতি, এজন উপ-সভাপতি, এজন সম্পাদক, এজন সহঃ সম্পাদক, এজন কোষাধ্যক্ষ আৰু ৬ জন সদস্য থাকিব। আঞ্চলিক সত্ৰ সভাৰ সভাপতি আৰু সম্পাদক এই সমিতিত উপদেষ্টা হিচাপে থাকিব। ৬ জন সদস্যৰ উপস্থিতিত প্ৰস্তাৱিত কাৰ্যনিৰ্বাহক সভাৰ থুল হ'ব। বছৰত কমেও চাৰিখন কাৰ্যনিৰ্বাহক সভাৰ বৈঠক বহিব।

৫। কাৰ্যকৰী সমিতি গঠন হোৱাৰ লগে লগে যুবতীৰ্থৰ আঞ্চলিক সমিতিয়ে মহাসভাৰ আঞ্চলিক সত্ৰ সভাৰ যোগেদি মহাসভাৰ জিলা সত্ৰ সভালৈ এই সম্পৰ্কে এক প্ৰতিবেদন প্ৰেৰণ কৰিব। উক্ত প্ৰতিবেদনত যুবতীৰ্থ জিলা সমিতি গঠন কল্পে যুবতীৰ্থ আঞ্চলিক সমিতিৰ সভাপতি, সম্পাদকসহ ৫ জনীয়া প্ৰতিনিধি তালিকা অন্তৰ্ভুক্ত কৰি পঠাব।

৬। মহাসভাৰ জিলা সমিতিৰ উদ্যোগত, যুবতীৰ্থৰ বিভিন্ন আঞ্চলিকে প্ৰেৰণ কৰা প্ৰতিনিধিসকলক আহ্বান কৰি অনুষ্ঠিত কৰা সভাত এখন ২১ জনীয়া 'যুবতীৰ্থ- জিলা সমিতি' গঠন কৰিব। এই সমিতিত এগৰাকী সভাপতি, দুগৰাকী উপ-সভাপতি, এজন সম্পাদক, এজন সহঃ সম্পাদক, এজন সাংগঠনিক সম্পাদক, এজন সাংস্কৃতিক সম্পাদক, এজন কোষাধ্যক্ষ, এজন প্ৰচাৰ সম্পাদক, এজন কাৰ্যালয় সম্পাদক আৰু ১১ গৰাকী প্ৰতিনিধিমূলক সদস্য থাকিব। জিলা সত্ৰ সভাৰ সভাপতি আৰু সম্পাদক এই সমিতিত উপদেষ্টা হিচাপে থাকিব। এইসকলৰ উপৰিও সত্ৰীয়া-সংস্কৃতিত বিশেষ ব্যুৎপত্তি থকা

এজন বা দুজন লোকক উপদেষ্টা হিচাপে ৰাখিব পাৰিব যদিও উপদেষ্টাসকলৰ ভোটাধিকাৰ নেথাকিব।

৭। যুবতীৰ্থ- জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সভাত ৭ জন সদস্যৰ উপস্থিতিত সভাৰ থুল হ'ব।

৮। বিভিন্ন জিলাৰ নৱগঠিত যুবতীৰ্থ সমিতিয়ে সংশ্লিষ্ট জিলা সত্ৰ সভাৰ যোগেদি এই সম্পৰ্কে এক প্ৰতিবেদন মহাসভাৰ কেন্দ্ৰীয় সমিতিলৈ পঠাব আৰু এই প্ৰতিবেদনতে ৰাজ্যিক সমিতি গঠন কল্পে যুবতীৰ্থৰ জিলা সমিতিৰ সভাপতি, সম্পাদকসহ দহ জনীয়া এক প্ৰতিনিধি তালিকা অন্তৰ্ভুক্ত কৰিব। মহাসভাৰ কেন্দ্ৰীয় সমিতিয়ে ইতিমধ্যে গঠন কৰি দিয়া যুবতীৰ্থৰ ৰাজ্যিক তদৰ্থ সমিতিৰ লগত যুটীয়াভাৱে জিলা সমিতিসমূহৰ প্ৰতিবেদনৰ ভিত্তিত বিভিন্ন 'যুবতীৰ্থ- জিলা সমিতি'ৰ প্ৰতিনিধিসকলক আহ্বান কৰি প্ৰথমখন 'যুবতীৰ্থ- ৰাজ্যিক অভিবৰ্ত্তন' অসম সত্ৰ মহাসভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত কৰিব আৰু উক্ত প্ৰতিনিধিসকলৰ লগতে 'যুবতীৰ্থ- ৰাজ্যিক তদৰ্থ সমিতিৰ সদস্যসকলৰ যোগদানেৰে গঠন হোৱা 'যুবতীৰ্থৰ- সাধাৰণ পৰিষদত আগৰ তদৰ্থ সমিতি ভঙ্গ কৰি এখন ৩১ জনীয়া ৰাজ্যিক পৰ্যায়ৰ 'সমন্বিত যুবতীৰ্থ' কেন্দ্ৰীয় সমিতি গঠন কৰিব। উক্ত সমিতিত এজন সভাপতি, এজন কাৰ্যকৰী সভাপতি, দুজন উপ-সভাপতি, এজন সম্পাদক, দুজন সহঃ সম্পাদক, তিনিজন সাংগঠনিক সম্পাদক, এজন সাংস্কৃতিক সম্পাদক, এজন প্ৰচাৰ সম্পাদক, এজন কোষাধ্যক্ষ আৰু ১৮ জন সদস্য থাকিব।

৯। 'সমন্বিত যুবতীৰ্থ' সমিতিৰ সভাত ১১ জন সদস্যৰ উপস্থিতিত সভাৰ থুল হ'ব।

১০। যুৱ-তীৰ্থৰ প্ৰতি স্তৰৰে সদ্য প্ৰাক্তন সভাপতি আৰু সম্পাদক নৱ-নিৰ্বাচিত কাৰ্যকৰী সভাৰ পদেন সদস্য হ'ব আৰু কাৰ্যনিৰ্বাহক সভাৰ বৈঠকত তেওঁলোকৰ ভোটাধিকাৰ নেথাকিব।

১১। সত্ৰ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু প্ৰধান সম্পাদক, 'সমন্বিত যুবতীৰ্থ'ৰ উপদেষ্টা নিৰ্দ্দেশক হিচাপে থাকিব। উপদেষ্টাৰ ভোটাধিকাৰ নেথাকিব।

১২। যুৱ-তীৰ্থৰ সকলো পৰ্যায়ৰে কাৰ্যকাল মহাসভাৰ দৰেই হ'ব। মহাসভাৰ বাৰ্ষিক আৰু দ্বি-বাৰ্ষিক অধিৱেশনৰ লগতে একে আৰ্হিৰে যুবতীৰ্থৰো অধিবেশন

অনুষ্ঠিত হ'ব।

১৩। যুৱ-তীৰ্থৰ কেন্দ্ৰীয় সমিতি গঠন হোৱাৰ পাছত উক্ত সমিতিয়েই দুবছৰলৈ অনুষ্ঠানটিৰ সৰ্ব্বস্তৰৰ দায়-দায়িত্ব বহন কৰিব আৰু বছৰত অন্ততঃ চাৰিবাৰ কাৰ্যনিৰ্ব্বাহক সভাৰ বৈঠক অনুষ্ঠিত কৰি সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে যুবসম্প্ৰদায়ক আকৃষ্ট কৰিব পৰাকৈ গুৰুসকলৰ গীত-মাত-বাদ্য আদিৰ প্ৰশিক্ষণ, কৰ্মশালা আদি অনুষ্ঠিত কৰাৰ পৰিকল্পনাৰ লগতে সাংগঠনিক দিশত ভিন্ ভিন্ সিদ্ধান্ত গ্ৰহণ কৰি জিলা যুৱতীৰ্থসমূহলৈ নীতি-নিৰ্দ্দেশনা প্ৰেৰণ কৰিব।

১৪। যুৱ-তীৰ্থৰ আঞ্চলিক সমিতিৰ প্ৰতিজন সদস্য/সদস্যাৰেপৰা বাৰ্ষিক সদস্য বৰঙণি হিচাপে ২০ টকাকৈ সংগ্ৰহ কৰিব। প্ৰথম বছৰত ভৰ্ত্তি মাচুল ১০ টকা সহ মুঠ ৩০ টকা সংগ্ৰহ কৰিব। বাৰ্ষিক ২০ টকা প্ৰতি সদস্যৰ বৰঙণিৰ ৮ টকা আঞ্চলিকে ৰাখিব আৰু ১২ টকা জিলালৈ দিব। জিলাই তাৰে ৬ টকা যুৱতীৰ্থৰ কেন্দ্ৰীয় সমিতিলৈ পঠাব। যুৱতীৰ্থৰ কেন্দ্ৰীয় সমিতিয়ে তাৰে ১ টকা মহাসভাৰ কেন্দ্ৰীয় পুঁজিলৈ পঠাব। প্ৰতি বছৰে বাৰ্ষিক বৰঙণি আদায় নিদিয়া জিলা সমিতিয়ে সমন্বিত যুৱতীৰ্থৰ বাৰ্ষিক অধিৱেশনত অংশ গ্ৰহণ কৰিব নোৱাৰিব।

১৫। মহাসভাৰ কেন্দ্ৰীয় সমিতিয়ে দান বৰঙণিৰ ৰচিদ বহী প্ৰতি জিলা সত্ৰ মহাসভাৰ যোগেদি যুৱতীৰ্থৰ আঞ্চলিক সমিতিলৈ প্ৰেৰণ কৰিব। ৰচিদ বহীত তিনিটা ভাগ থাকিব। প্ৰথম ভাগৰ ডোখৰ বৰঙণি/দান দিওঁতাজনৰ, দ্বিতীয় ডোখৰ আঞ্চলিক সমিতিৰ আৰু বহী সংলগ্ন তৃতীয় ডোখৰ প্ৰাপ্য ধনৰ অংশ সহ মহাসভাৰ কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰিব।

১৬। নিশ্চিতভাৱে অনুৰ্দ্ধ ৪০ বছৰ বয়সৰ ভিতৰৰ যুৱক-যুৱতীয়েহে যুৱতীৰ্থৰ সদস্য হ'ব পাৰিব।

১৭। প্ৰতি স্তৰৰ যুৱতীৰ্থৰ বাৰ্ষিক সাধাৰণ সভাত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ উপৰিও সংশ্লিষ্ট সংগঠনৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন উত্থাপন কৰি অনুমোদন ল'ব।

১৮। সত্ৰীয়া সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল আৰু আনুগত্য থকা লোকসকলৰ মনত অসন্তোষৰ ভাব উদ্ৰেক নোহোৱাকৈ তেখেতসকলৰ ইচ্ছা সাপেক্ষে যুৱতীৰ্থৰ বিভিন্ন স্তৰৰ সংগঠনে অনুষ্ঠানবিশেষে তেনেলোকৰ পৰা মহাসভাৰ কেন্দ্ৰীয় সমিতিয়ে প্ৰেৰণ কৰা ছপা ৰচিদৰ বিনিময়ত পুঁজি সংগ্ৰহ কৰিব পাৰিব।

১৯। সমন্বিত যুবতীৰ্থৰ সভাপতি, সম্পাদক, জিলা যুবতীৰ্থৰ সভাপতি, সম্পাদক আৰু আঞ্চলিক যুবতীৰ্থৰ সভাপতি, সম্পাদক ক্রমে মহাসভাৰ কেন্দ্ৰীয় সমিতি, জিলা সমিতিৰ আৰু আঞ্চলিক সমিতিৰ পদেন সদস্য হ'ব।

২০। প্ৰতি দ্বি-বাৰ্ষিক অধিৱেশনৰ সাধাৰণ পৰিষদত যুবতীৰ্থৰ নতুন সমিতি গঠন কৰিব আৰু কোনো বিষয়ববীয়াই একেলেথাৰিয়ে দুটা কাৰ্যকালৰ ওপৰত একে দায়িত্বত থাকিব নোৱাৰিব।

২১। সমিন্বিত যুৱ-তীৰ্থ সমিতিয়ে একোটা কাৰ্যকালৰ ভিতৰত যদি মহাসভাৰ নীতি আৰু আদৰ্শৰ পৰিপন্থী কাৰ্যত লিপ্ত হয় বা নিয়মাৱলীত সন্নিবিষ্ট উপবিধি অনুসাৰে কাৰ্য সম্পাদনত ব্যৰ্থ হয়, তেন্তে মহাসভাই তেনে সমিতি ভংগ কৰি প্ৰয়োজন সাপেক্ষে কাৰ্যকালৰ বাকী সময়ৰ বাবে অনুষ্ঠানটি চলাই নিবৰ বাবে এখন তদৰ্থ সমিতি গঠন কৰি দিব।

## উপবিধি -২

<u>অসম সত্ৰ মহাসভাৰ সত্ৰীয়া সংস্কৃতি চৰ্চাকেন্দ্ৰৰ পৰিচালনা ঃ</u>

১। মহাসভাৰ সাংস্কৃতিক সম্পাদকজন সত্ৰীয়া সংস্কৃতি চৰ্চা কেন্দ্ৰৰ পৰিচালনা সমিতিৰো সম্পাদক হ'ব।

২। মহাসভাৰ সভাপতিজন পৰিচালনা সমিতিৰ উপদেষ্টা আৰু প্ৰধান সম্পাদকজন সদস্য হ'ব।

৩। মহাসভাৰ যোৰহাটস্থ উপ-সভাপতি আৰু সম্পাদকজন পৰিচালনা সমিতিৰ সদস্য হিচাপে থাকিব।

৪। চাৰিজন বিশেষজ্ঞ (নৃত্য, বাদ্য, গীত, আহাৰ্য্য) সদস্য পৰিচালনা সমিতিত অন্তৰ্ভুক্ত হ'ব।

৫। সত্ৰীয়া সংস্কৃতিৰ উপযুক্ত অৰ্হতা সম্পন্ন এগৰাকী পৰীক্ষা সচিব চৰ্চাকেন্দ্ৰত নিযুক্ত/মনোনীত হ'ব।

৬। এগৰাকী দাতা সদস্য অন্তৰ্ভুক্তিৰে মুঠ ৯জন সদস্যৰে পৰিচালনা সমিতিখন গঠন হ'ব।

৭। মহাসভাৰ যোৰহাটস্থ উপ-সভাপতিজন কিম্বা সত্ৰীয়া সংস্কৃতিত বিশেষ ব্যুৎপত্তি থকা এগৰাকী জ্যেষ্ঠ সদস্যক পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব ন্যস্ত কৰিব।

৮। মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ অনুমোদন সাপেক্ষে সভাপতি, প্ৰধান সম্পাদক

আৰু সাংস্কৃতিক সম্পাদক কেইগৰাকীয়ে পৰামৰ্শ কৰি ৪-৭ নম্বৰৰ ভিতৰৰ উপবিধি কেইটাৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণ কৰিব।

৯। মহাসভাৰ আৱৰ্তত থকা ৰাজ্যখনৰ সত্ৰীয়া সঙ্গীত বিদ্যালয়সমূহৰ পৰিচালনাৰ দায়িত্ব চৰ্চা কেন্দ্ৰৰ ওপৰত ন্যস্ত থাকিব।

১০। উক্ত বিদ্যালয়সমূহৰ বাবে সময়োপযোগী আৰু পৰম্পৰা সুৰক্ষাৰে বিজ্ঞান ভিত্তিক পাঠ্যক্ৰম যুগত কৰিব।

১১। চৰ্চাকেন্দ্ৰই সময়ে সময়ে কৰ্মশালা, প্ৰশিক্ষণ, অনুশীলন, তথা প্ৰদৰ্শনমূলক কাৰ্যসূচী ৰূপায়ণ কৰিব।

১২। চৰ্চাকেন্দ্ৰ আৰু বিদ্যালয়সমূহ চলাবৰ বাবে পৰিচালনা সমিতিয়ে পুঁজি সংগ্ৰহ কৰি ৰাষ্ট্ৰীয়কৃত বেংকত চৰ্চাকেন্দ্ৰৰ নামত জমা ৰাখিব।

১৩। প্ৰধান সম্পাদক আৰু চৰ্চা কেন্দ্ৰৰ সম্পাদকৰ যুটীয়া স্বাক্ষৰত চৰ্চাকেন্দ্ৰৰ পুঁজি লেনদেন হ'ব।

১৪। চৰ্চাকেন্দ্ৰৰ সম্পাদক প্ৰাপ্য আৰু দেয়ৰ ক্ষেত্ৰত দায়বদ্ধ থাকিব। সকলো প্ৰধান কাৰ্যসূচীৰ সিদ্ধান্ত, ৰূপায়ণ আৰু সংগ্ৰহ আদিৰ ক্ষেত্ৰত মহাসভাৰ অনুমোদন ল'ব।

১৫। পৰীক্ষা সচিবে চৰ্চা কেন্দ্ৰৰ সম্পাদকৰ সহযোগত পাঠদান, পাঠ্যক্ৰম, পৰীক্ষা নিয়ন্ত্ৰণ, গৱেষণা, প্ৰকাশন, উপাধি প্ৰদান আদি বিদ্যায়তনিক দিশ দায়বদ্ধতাৰে সম্পাদন কৰিব।

১৬। মহাসভাৰ দ্বি-বাৰ্ষিক অধিৱেশনত শিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰিব। মানপত্ৰত মহাসভাৰ সভাপতি, প্ৰধান সম্পাদক, সত্ৰীয়া সংস্কৃতি চৰ্চাকেন্দ্ৰৰ সম্পাদক আৰু পৰীক্ষা সচিবৰ স্বাক্ষৰ থাকিব।

১৭। মহাসভাৰ দ্বিবাৰ্ষিক অধিৱেশনৰ এমাহ আগতে চৰ্চাকেন্দ্ৰৰ পৰিচালনা সমিতিৰ দ্বাৰা অনুমোদিত বিগত দুবছৰৰ পৰীক্ষিত হিচাপ সহ চৰ্চাকেন্দ্ৰৰ সম্পাদকৰ প্ৰতিবেদন মহাসভাৰ প্ৰধান সম্পাদকৰ হাতত দাখিল কৰিব।

১৮। পৰিচালনা সমিতিত থকা মহাসভাৰ অন্যান্য পদেন সকল নিয়মাৱলীৰ ভিত্তিত সলনি হ'লেও মহাসভাই নিবিচৰালৈকে পৰীক্ষা সচিবজন উক্ত পদতে বাহাল থাকিব।

১৯। চৰ্চাকেন্দ্ৰৰ পৰিচালনা সমিতিখনেই চৰ্চাকেন্দ্ৰৰ অধীনৰ সত্ৰীয়া সঙ্গীত বিদ্যালয়সমূহৰ পৰীক্ষা পৰিষদ ৰূপে গণ্য হ'ব। সচিবজনেই পৰীক্ষা সম্পৰ্কীয় সমস্ত কাৰ্যাৱলী পৰীক্ষা পৰিষদৰ অনুমোদন সাপেক্ষে পৰিচালনা কৰিব।

***

অসম সত্ৰ মহাসভাৰ ৪৭তম্ দ্বিবাৰ্ষিক বৰপেটা অধিবেশনত সংশোধিত
আৰু প্ৰধান সম্পাদক **শ্ৰীজীৱেশ্বৰ দেৱগোস্বামীৰ** দ্বাৰা প্ৰকাশিত আৰু
অজন্তা প্ৰেছ, হয়বৰগাঁও ঃ নগাঁও-২ত মুদ্ৰিত।